


# অন্বেষণ

একাদশ বছৰ ■ চতুৰ্থ সংখ্যা ■ মে', ২০২৪

## এণ্টাৰ্কটিকাৰ গৱেষণা কেন্দ্ৰ



## আমাজ'নলৈ চাহাৰাৰ উপহাৰ

## ক'ভিড-১৯ৰ পাছত

## শ্ৰম, শ্ৰমিক আৰু শ্ৰমিক দিৱস



পাণ্ডো গছ



দক্ষিণ গংগোত্ৰী গবেষণা কেন্দ্ৰ



পুনচাক জ'য়া শৃংগ



অক্সফৰ্ড বিশ্ববিদ্যালয়



কৰ্বিন বীচচ



গ'ল্ডেন গেট ব্ৰীজ

# অন্বেষণ

**একাদশ বছৰ, চতুৰ্থ সংখ্যা, মে', ২০২৪ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **ক'ভিড-১৯ৰ পাছৰ বিশ্ব**
■ অভিজিত শৰ্মা বৰুৱা
৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী
৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী
৯ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**
১৫ **মামণি ৰয়ছম গোস্বামী**
■ হিমাদ্ৰী বৰা
১৭ **অক্সফ'ৰ্ড বিশ্ববিদ্যালয়**
■ জুলি শইকীয়া
১৮ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন
২০ **মানৱ কম্পিউটাৰ**
■ ঋতুমল্লিকা গোস্বামী
২১ **আন্দামান ভ্ৰমণ**
■ তেজাঞ্চী দিহিঙীয়া
২৩ **সহানুভূতি**
■ ৰিণি শৰ্মা
২৪ **চিকিৎসকৰ দিনলিপি**
■ কৃস্তিনা বৰ্মন
২৫ **Value of Time**
■ Deeshru Rudranee
২৬ **মা**
■ ধানিসা বৰ্মন
২৬ **সময়**
■ নিচান প্ৰতীম ভৰদ্বাজ
২৬ **তুমি জ্যোতিষ্মান**
■ ৰাজশ্ৰী ভট্ট
২৬ **বেলি**
■ বৰ্ণালী বৰা
২৭ **শ্ৰম, শ্ৰমিক আৰু শ্ৰমিক দিৱস**
■ অপৰ্ণা দেৱী
২৮ **বিদ্যুতৰ অপচয় : ফেন্টম বিদ্যুৎ**
■ বনালী বৰুৱা কাশ্যপ
৩০ **Stories from World Classics**
■ Pallavi Dutta
৩১ **Did You Know**
■ Jita Gogoi
৩২ **কুইজ**
■ দীপাংকৰ কৌশিক
৩৩ **এণ্টাৰ্কটিকাৰ গৱেষণা কেন্দ্ৰ**
■ নৱনীতা ৰায়
৩৪ **ইন্দ্ৰমালতী : দ্বিতীয়খন অসমীয়া কথাছবি**
■ জিতেন গোস্বামী
৩৬ **চুড'কু**
৩৭ **আমাজ'নলৈ চাহাৰাৰ উপহাৰ**
■ মানসজ্যোতি শইকীয়া
৩৮ **ইণ্ডোনেছিয়া**
■ ৰূপজ্যোতি চেতিয়া
৪০ **পাণ্ডো গছ**
■ ছায়াস্মিতা বৈশ্য

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাৱি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# ক'ভিড-১৯ ৰ পাছৰ বিশ্ব

অভিজিত শৰ্মা বৰুৱা



২০১৯ চনৰ নৱেম্বৰ-ডিচেম্বৰ মাহত চীন দেশত উৎপত্তি হোৱা মাৰাত্মক ক'ভিড-১৯ ৰোগ ভয়াবহ হৈ উঠি সমগ্ৰ বিশ্বতে অভূতপূৰ্ব সন্ত্ৰাসৰ সৃষ্টি কৰাৰ পাছত ২০২০ চনৰ জানুৱাৰী মাহত বিশ্ব স্বাস্থ্য সংস্থাই এই ৰোগক 'আন্তৰ্জাতিক উদ্বেগজনিত জৰুৰী জনস্বাস্থ্য সমস্যা' (Public Health Emergency of International Concern; PHEIC) বুলি ঘোষণা কৰিছিল। তাৰ পাছত বিজ্ঞানীসকলৰ বিভিন্ন আৱিষ্কাৰ, বিশ্ব স্বাস্থ্য সংস্থাকে ধৰি আন্তৰ্জাতিক সংগঠনসমূহৰ প্ৰচেষ্টা আৰু সংশ্লিষ্ট ৰাষ্ট্ৰসমূহৰ উপযুক্ত কৰ্মপদ্ধতিৰ ফলত ক'ভিড-১৯ ৰ ভেক্‌চিন, চিকিৎসা পদ্ধতিৰ বিকাশ হোৱাত এই ৰোগৰ ভয়াবহতা কমি আহিল। সেয়ে এনে জৰুৰী অৱস্থাৰ তিনি বছৰৰো অধিক কালৰ পাছত ২০২৩ চনৰ ৫ মে'ত বিশ্ব স্বাস্থ্য সংস্থাৰ ডিৰেক্টৰ-জেনেৰেলে ঘোষণা কৰিলে যে ক'ভিড-১৯ ৰোগ এতিয়া এক জ্ঞাত স্বাস্থ্যজনিত সমস্যা, তাৰ প্ৰতিকাৰ আৰু চিকিৎসা পদ্ধতিও প্ৰতিষ্ঠিত হৈছে আৰু সেইবাবে এই ৰোগ এতিয়াৰ পৰা 'আন্তৰ্জাতিক উদ্বেগজনিত জৰুৰী জনস্বাস্থ্য সমস্যা' (PHEIC) নহয়। তাৰ লগে লগেই ক'ভিড-১৯ অতিমাৰীৰ আনুষ্ঠানিক সমাপ্তি ঘটিল।

ডিৰেক্টৰ-জেনেৰেলগৰাকীৰ এই সাহসিক বক্তব্যৰ আধাৰ আছিল তাৰ আগদিনা (৪ মে' ২০২৩) আন্তৰ্জাতিক স্বাস্থ্য বিনিয়ম, ২০০৫ ৰ (International Health Regulations, 2005 – IHR) জৰুৰী সমিতিৰ পঞ্চদশ সভাত এই সম্পৰ্কত হোৱা সবিশেষ আলোচনা। এই সভাত সমিতিৰ সদস্যসকলে ক'ভিড-১৯ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোক, ক'ভিড-১৯ সম্পৰ্কত হাস্পতালত ভৰ্তি হোৱা লোক আৰু আই চি ইউত থাকিবলগীয়া ৰোগীৰ সংখ্যা উল্লেখনীয় হাৰত কমি অহাৰ বিষয়ে জানিবলৈ দিছিল আৰু ভেক্‌চিনৰ জৰিয়তে এই ৰোগৰ বিৰুদ্ধে সাধাৰণ লোকৰ বৰ্ধিত প্ৰতিৰোধ ক্ষমতাৰ বিষয়েও আলোচনা কৰিছিল। তেওঁলোকে পৰামৰ্শ দিছিল যে ক'ভিড-১৯ অতিমাৰীৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত এতিয়া হ্ৰস্বম্যাদী ব্যৱস্থাৰ প্ৰয়োজন নাই, বৰং দীৰ্ঘম্যাদী ব্যৱস্থাৰহে প্ৰয়োজন। তাৰ পৰিপ্ৰেক্ষিততে ডিৰেক্টৰ-জেনেৰেলগৰাকীয়ে এই ঘোষণা কৰিছিল।

## পাছৰ পৰিকল্পনা

ক'ভিড-১৯ ৰোগৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাই ক'ভিড-১৯ৰ কৌশলগত প্ৰস্তুতি আৰু প্ৰতিক্ৰিয়া পৰিকল্পনা ২০২৩-২৫' (COVID-19 Strategic Preparedness and Response Plan 2023-25) নামৰ এক কৰ্মসূচী যুগুত কৰিছে। তাত পাঁচটা মূল ক্ষেত্ৰত গুৰুত্ব দিয়াৰ কথা কোৱা হৈছে। সেইকেইটা হ'ল— বিভিন্ন পক্ষৰ সহযোগিতাৰে সতৰ্ক পৰ্যবেক্ষণ, সামূহিক সুৰক্ষা, নিৰাপদ আৰু মাপযোগ্য তত্ত্বাৱধান,

সকলোৰে বাবে প্ৰতিৰোধমূলক ব্যৱস্থা আৰু জৰুৰী সমন্বয়।

এসময়ত হাঁহাকাৰৰ সৃষ্টি কৰা ক'ভিড-১৯ ৰোগ সৃষ্টিকাৰক ক'ৰোনা ভাইৰাছৰ বহুকেইটা উৎপৰিবৰ্তিত ৰূপ উপলব্ধ হৈছে যদিও সেইকেইটা সিমান মাৰাত্মক প্ৰতিপন্ন হোৱা নাই। তাৰ দুটামান কাৰক হ'ল — মানুহৰ মাজত স্বাভাৱিকভাৱে ক'ৰোনা ভাইৰাছৰ বিৰুদ্ধে প্ৰতিৰোধ ক্ষমতা বৃদ্ধি, ভেক্‌চিনৰ ব্যাপক প্ৰচলন, ক'ৰোনা ভাইৰাছৰ শক্তি হ্ৰাস আদি।

## ক'ভিড-১৯ কিয় এতিয়া মাৰাত্মক নহয়?

কিহৰ বাবে ক'ভিড-১৯ PHEIC হৈ নাথাকিব, বিশ্ব স্বাস্থ্য সংস্থাই তাৰ সপক্ষে যুক্তি আৰু তথ্যও দিছে। তেওঁলোকৰ হিচাপ অনুসৰি সমগ্ৰ বিশ্বত ১৩.৩ বিলিয়ন ক'ভিড-১৯ ভেক্‌চিন দিয়া হৈছে। স্বাস্থ্যকৰ্মীসকলৰ ৮৯ শতাংশ আৰু ৬০ বছৰৰ ঊৰ্দ্ধৰ ৮২ শতাংশ লোকে প্ৰাথমিক শ্ৰেণীৰ (প্ৰথম এটা বা দুটা) ভেক্‌চিন লৈছে। অৱশ্যে এই মান বিভিন্ন অঞ্চলত বিভিন্ন।

কিন্তু ক'ভিড-১৯ এতিয়া PHEIC হৈ নাথাকিলেও এই ৰোগৰ প্ৰতিৰোধকাৰী ব্যৱস্থাসমূহ চলি থাকিব। যিসকলে ভেক্‌চিন পোৱা নাই বা লোৱা নাই, সেইসকলকো ভেক্‌চিন দিয়া হ'ব আৰু এই কামৰ বাবে সংশ্লিষ্ট সংস্থাসমূহে লাভ কৰা অনুদানসমূহো আগৰ দৰে পাই থাকিব। আনকি ক'ভিড-১৯ ৰোগ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা ঔষধসমূহৰ উৎপাদন আৰু ব্যৱহাৰো আগৰ দৰেই চলি থাকিব।

সমিতিয়ে ক'ভিড-১৯ PHEIC হৈ থাকিবনে নাই, সেই বিষয়ে সিদ্ধান্ত লোৱাৰ আগতে তিনিটা কথা আলোচনা কৰিছিল। সেয়া হ'ল— (১) ক'ভিড-১৯ এতিয়াও এক অসাধাৰণ ঘটনা হৈ আছেনে, (২) এখন দেশৰ জনসাধাৰণক আক্ৰান্ত কৰাৰ পাছত সেই আক্ৰান্ত লোকৰ জৰিয়তে এই ৰোগ আন কিছুমান দেশত সামূহিকভাৱে বিয়পি পৰাৰ আশংকা আছেনে, আৰু (৩) এই ক্ষেত্ৰত এক সমন্বিত আন্তৰ্জাতিক সঁহাৰিৰ প্ৰয়োজন আছেনে?



সমিতিৰ সদস্যসকলে এই কথা মানি লৈছিল যে এতিয়াও বিস্তৃত অঞ্চলত ক'ভিড-১৯ ৰোগে প্ৰভাৱ বিস্তাৰ কৰি আছে। কিন্তু এতিয়া এইটো এক অস্বাভাৱিক বা আন্তৰ্জাতিক পৰ্য্যায়ৰ ঘটনা হৈ থকা নাই। অৱশ্যে পাছত যদি পৰিস্থিতি আকৌ গুৰুতৰ হয়, তেন্তে বিশ্ব স্বাস্থ্য সংস্থাৰ ডিৰেক্টৰ-জেনেৰেলে আকৌ এই সমিতিৰ বৈঠক আহ্বান কৰিব পাৰে আৰু এই ক্ষেত্ৰত সমিতিৰ মতামত পুনৰ বিবেচনা কৰিবলৈ ক'ব পাৰে।

## আগৰ পৰিস্থিতি

২০২০ চনৰ জানুৱাৰী মাহত এই সমিতিৰে পৰামৰ্শ অনুসৰি যেতিয়া ক'ভিড-১৯ ক PHEIC বুলি ঘোষণা কৰা হৈছিল, তাৰ পাছত এই ক্ষেত্ৰত গোলকীয় প্ৰচেষ্টা আৰু ধন আবণ্টনৰ বাট মুকলি হৈছিল। বিভিন্ন প্ৰতিষ্ঠান আৰু বিত্তীয় সংগঠনে ক'ভিড-১৯ ৰ চিকিৎসা আৰু ভেক্‌চিন প্ৰস্তুতকৰণৰ বাবে জ্ঞান আৰু বিত্তৰ যোগান ধৰিবলৈ আগ বাঢ়ি আহিছিল। যিসকলে এই ৰোগত ভুগি আছিল, তেওঁলোকৰ চিকিৎসা, আনকি ব্যাপক হাৰত মৃত্যু হোৱাসকলৰ সৎকাৰ আদিৰ বাবেও ধনৰ অভাৱ ঘটা নাছিল। কিন্তু এতিয়া পৰিবৰ্তিত পৰিস্থিতিত তেনে ব্যৱস্থাৰ গইনা লৈ একে ধৰণৰ সুবিধা উপভোগ কৰি থকাটো অযুগুত বুলি সমিতিয়ে গণ্য কৰি সেই পৰামৰ্শ আগ বঢ়াইছিল।

## বৰ্তমানৰ পৰিস্থিতি

যোৱা ১৪ এপ্ৰিললৈকে (২০২৪) প্ৰাপ্ত তথ্য অনুসৰি ক'ভিড-১৯ ৰোগৰ ক্ষেত্ৰত এতিয়ালৈকে নিশ্চিত ৰোগীৰ সংখ্যা ৭৭.৫৩ কোটি, নিশ্চিত মৃত্যুৰ পৰিমাণ ৭০.৪৬ লাখ আৰু এতিয়ালৈকে দিয়া ভেক্‌চিন ড'জৰ সংখ্যা ১৩৫.৯৪ কোটি।

গোলকীয় পৰ্য্যায়ত ২০২৪ চনৰ ৪ মাৰ্চৰ পৰা ৩১ মাৰ্চলৈকে — এই ২৮ দিনৰ ভিতৰত ৪৯২৯৭ জন ক'ভিড-১৯ ৰোগী হাস্পতালত ভৰ্তি হৈছে আৰু তাৰে ১২১২ জন ৰোগী আই চি ইউত আছে। ইয়াৰ আগৰ ২৮ দিনীয়া সময়সীমাৰ (৫ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চ) তুলনাত এই মান ক্ৰমে ৪৪ শতাংশ আৰু ৪৬ শতাংশ কমিছে। কিছুমান দেশতো এই দুয়োটা মানেই শূন্য। ৫০ খন (বিশ্বৰ মুঠ দেশৰ ২১%) দেশৰ পৰাহে কমেও এজন ৰোগী হাস্পতালত ভৰ্তি হোৱাৰ খবৰ আহিছে। তাৰ ভিতৰত আমেৰিকা অঞ্চলৰ দেশৰ সংখ্যা ২২ খন, ইউৰোপীয় অঞ্চলৰ ১৬ খন, দক্ষিণ-পূব এছিয়াৰ ২ খন, আফ্ৰিকা অঞ্চলৰ ৬ খন আৰু পশ্চিমীয়া প্ৰশান্ত সাগৰীয় অঞ্চলৰ ৪ খন। তেনেদৰে অতি কমেও এজন ৰোগী আই চি ইউত ভৰ্তি হোৱা দেশৰ সংখ্যা ২২ খন।

বিশ্ব স্বাস্থ্য সংস্থাই বৰ্তমান ক'ৰোনা ভাইৰাছৰ আঠবিধ নতুন উৎপৰিবৰ্তিত প্ৰকাৰ সম্পৰ্কত অধ্যয়ন চলাই আছে আৰু জানিবলৈ দিছে যে ইয়াৰ কোনো এটা ভাইৰাছৰ ৰোগ সৃষ্টিকাৰী ক্ষমতা উদ্বেগজনক বা উল্লেখযোগ্য নহয়।

## নতুন ব্যৱস্থা

বিশ্ব স্বাস্থ্য সংস্থাই বিশ্বৰ সকলো দেশকে নিম্নোক্ত ব্যৱস্থাসমূহ গ্ৰহণ কৰিবলৈ কৈছে।

১। আগৰ অভিজ্ঞতাৰ পৰা ভৱিষ্যতৰ সম্ভাব্য পৰিস্থিতিৰ বাবে সাৱধান হোৱা—বিশেষকৈ শ্বাস-প্ৰশ্বাসজনিত সমস্যাৰ পৰা উপশম দিয়া আৰু এই সম্পৰ্কত চলাই থকা ব্যৱস্থা-গৱেষণা অব্যাহত ৰখা।

২। গোটেই জীৱনৰ বাবে ল'বলগীয়া ভেক্‌চিনৰ তালিকাত ক'ভিড-১৯ ৰ ভেক্‌চিনো অন্তৰ্ভুক্ত কৰা।

৩। শ্বাস-প্ৰশ্বাসজনিত সমস্যাৰ সৃষ্টি কৰিব পৰা বিভিন্ন ভাইৰাছ সম্পৰ্কত তথ্য সংগ্ৰহ কৰা যাতে প্ৰতিৰোধমূলক ব্যৱস্থা আগতীয়াকৈ ল'ব পৰা যায়।

৪। পুনৰ হ'ব পৰা পৰিস্থিতিৰ সন্মুখীন হ'বলৈ চিকিৎসা সেৱাৰ সুবিধা আৰু ঔষধৰ যোগাৰ সাজু কৰি ৰখা।

৫। বিভিন্ন শ্ৰেণীৰ লোক আৰু তেওঁলোকৰ নেতাসকলৰ লগত একেলগে কাম কৰি তেওঁলোকৰ মনৰ পৰা এনে ৰোগ সম্পৰ্কত থকা শংকা দূৰ কৰা আৰু তাৰ বাবে বিভিন্ন কৰ্মসূচী গ্ৰহণ কৰা।

৬। আন্তৰ্জাতিক ভ্ৰমণৰ ক্ষেত্ৰত ক'ভিড-১৯ ৰোগৰ পৰিপ্ৰেক্ষিতত জাৰি কৰা ব্যৱস্থাসমূহ অপ্ৰাসংগিক হৈ উঠাৰ বাবে সেইবোৰ পৰিহাৰ কৰা।

৭। ক'ভিড-১৯ ৰ ভেক্‌চিন আৰু এই সম্পৰ্কীয় আন গৱেষণাৰ বাবে সহায়-সমৰ্থন অব্যাহত ৰখা।

## গুৰুত্বপূৰ্ণ পৰিবৰ্তন

ভয়াবহ ক'ভিড-১৯ অতিমাৰীৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বখনতে যথেষ্ট পৰিবৰ্তন আহিছিল আৰু এতিয়া তাৰে কিছুমান পৰিবৰ্তন স্থায়ী হৈ পৰিল। ঔদ্যোগিক খণ্ডৰ উপৰি শিক্ষা খণ্ডতো কাম সুকলমে চলাই নিয়াৰ নতুন পদ্ধতিৰ বিকাশ ঘটিল আৰু তাৰে কিছুমান পদ্ধতি প্ৰচলিত পুৰণি পদ্ধতিতকৈ কম খৰচী আৰু সুবিধাজনক হিচাপে প্ৰতিপন্ন হোৱাৰ পাছত এতিয়া ক'ভিড-১৯ ৰ শংকা কমি প্ৰায় নাইকিয়া হোৱাৰ সময়তো সেইবোৰ তেনেকৈয়ে ৰখা গ'ল।

ক'ভিড-১৯ ৰ পৰিপ্ৰেক্ষিতত মানুহৰ সামাজিক জীৱন, জীৱনবীক্ষা, ধ্যান-ধাৰণা, আধ্যাত্মিক চিন্তা আদিৰ ক্ষেত্ৰতো যথেষ্ট পৰিবৰ্তন আহিছিল। এতিয়া পৃথিৱীখন অধিক সুন্দৰ কৰি তুলিবলৈ, আমাৰ চিন্তা-চৰ্চাবোৰ উন্নত কৰি তুলিবলৈ আমি এক সুযোগ লাভ কৰিছোঁ। সেই শিক্ষা কামত আহিবনে নাই, সেয়া অৱশ্যে মানুহৰ ওপৰতহে নিৰ্ভৰ কৰিব। ❖

## ৪,১১২ বিলিয়ন ডলাৰেৰে ভাৰত বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতি


যোৱা ১১ এপ্ৰিলত ফ'ৰ্বছ (Forbes) আলোচনীখনে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ (International Monetary Fund–IMF) তথ্যৰ ভিত্তিত প্ৰকাশ কৰা বাতৰি অনুসৰি ভাৰত ৪,১১২ বিলিয়ন মাৰ্কিন ডলাৰেৰে বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতিৰূপে পৰিগণিত হয়। ভাৰতীয় লোকৰ জনমূৰি আয় বছৰি মাত্ৰ ২.৩৭ লাখ টকা হ'লেও জিডিপিৰ হিচাপত ভাৰত বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতি ৰূপে স্বীকৃত হয়। বিশ্বৰ প্ৰথম স্থানত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনমুৰি আয় ৬৯.২ লাখ টকা আৰু জিডিপিৰ পৰিমাণ ২৭,৯৭৪ বিলিয়ন মাৰ্কিন ডলাৰ। ১৮,৫৬৬ বিলিয়ন মাৰ্কিন ডলাৰেৰে চীন বিশ্বৰ দ্বিতীয় বৃহৎ অৰ্থনীতিৰূপে পৰিগণিত হয়। একোগৰাকী চীনা লোকৰ গড় বাৰ্ষিক আয় ১০.৯৭ লাখ টকা। ৪,৭০০ বিলিয়ন মাৰ্কিন ডলাৰেৰে জাৰ্মানী তৃতীয় স্থানত আছে আৰু দেশখনৰ গড় জনমূৰি আয় (বাৰ্ষিক) ৪৫ লাখ টকা। আনহাতে ৪,২৯১ বিলিয়ন মাৰ্কিন ডলাৰেৰে জাপানে চতুৰ্থ স্থান লাভ কৰে আৰু দেশখনৰ গড় জনমূৰি আয় ২৮ লাখ টকা। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ তথ্য অনুসৰি ৩,৫৯২ বিলিয়ন মাৰ্কিন ডলাৰেৰে ইংলণ্ড ষষ্ঠ স্থানত আছে আৰু এজন ইংৰাজৰ বাৰ্ষিক আয় ৪৪ লাখ টকা।

## কেন্দ্ৰীয় লোকসেৱা আয়োগত উজলিল সাতজন অসমীয়া



অভিজ্ঞান হাজৰিকা

যোৱা ১৬ এপ্ৰিল তাৰিখে কেন্দ্ৰীয় লোকসেৱা আয়োগে ঘোষণা কৰা অসামৰিক সেৱা পৰীক্ষা-২০২৩ৰ ফলাফলত সাত-গৰাকী অসমীয়াই কৃতিত্বেৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। এই সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত লক্ষ্ণৌৰ আদিত্য শ্ৰীবাস্তৱে শীৰ্ষস্থান অধিকাৰ কৰে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ (ইউপিএছচি) ফলাফলত কৃতিত্ব লাভ কৰা প্ৰাৰ্থীকেইগৰাকী হ'ল—অভিজ্ঞান হাজৰিকা (১৭২ নং স্থান), ৰিকি লহকৰ প্ৰধান (২৩০), ঈশ্বৰী ডেকা (৩২০), ঋতুৰাজ শৰ্মা (৪৬২), ভাস্বত শইকীয়া (৫৫২), কল্লোল হাজৰিকা (৯৯২) আৰু আজমল হুছেইন (১০১৩)। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা বাছনিভুক্ত হৈ গৌৰৱ কঢ়িয়াই অনা অসমৰ ১৭২ নম্বৰ স্থানপ্ৰাপ্ত অভিজ্ঞান হাজৰিকাই এই বৰ্ষত মুঠ ১,০১৬ গৰাকী প্ৰাৰ্থী অসামৰিক সেৱাৰ বাবে বাছনিভুক্ত হৈছে। মেধাৰ ভিত্তিত প্ৰথম ১৮০ গৰাকীয়ে আইএএছ, ৩৭ গৰাকীয়ে আইএফএছ আৰু ২০০ গৰাকীয়ে আইপিএছ আৰু বাকীসকল সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত হৈছে।

## এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তি মুকেশ আম্বানি


মুকেশ আম্বানি

যোৱা ৩ এপ্ৰিল তাৰিখে ফ'ৰ্বছ আলোচনীখনে প্ৰকাশ কৰা তথ্য অনুসৰি উদ্যোগপতি মুকেশ আম্বানি এছিয়া মহাদেশৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত হয়। মুকেশ আম্বানিৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১১৬ বিলিয়ন মাৰ্কিন ডলাৰ (এক মাৰ্কিন ডলাৰ = ৮৩.৪০ টকা) অৰ্থাৎ প্ৰায় ৯৬৭৪৪০ কোটি টকা। ২০২৪ চনৰ ধনাঢ্যৰ তালিকা অনুসৰি ভাৰতত বিলিয়নেয়াৰ অৰ্থাৎ আৰবপতিৰ সংখ্যা পূৰ্বৰ ১৬৯ জনৰ পৰা ২০০ জনলৈ বৃদ্ধি হৈছে।


বাৰ্নাৰ্ড আৰ আৰ্নল্ট

২৩৩ বিলিয়ন মাৰ্কিন ডলাৰেৰে ফৰাচী ব্যৱসায়ী বাৰ্নাৰ্ড আৰ আৰ্নল্টে বিশ্বৰ ভিতৰত শীৰ্ষস্থান দখল কৰাৰ বিপৰীতে ১৯৫ বিলিয়ন মাৰ্কিন ডলাৰেৰে উদ্যোগপতি ইলন মাস্কে দ্বিতীয় স্থান অধিকাৰ কৰে। ১৯৪ বিলিয়ন ডলাৰেৰে 'এমাজন'ৰ স্বত্বাধিকাৰী জেফ বেজ'ছে তৃতীয় স্থান তথা ১৭৭ বিলিয়ন ডলাৰেৰে

'ফেচবুক'ৰ স্বত্বাধিকাৰী মাৰ্ক জুকাৰবাৰ্গে চতুৰ্থ স্থান লাভ কৰে। সমগ্ৰ বিশ্বত মুঠ ২,৭৮১ গৰাকী আৰবপতিৰ হাতত ১৪.২ ট্ৰিলিয়ন মাৰ্কিন ডলাৰৰ সম্পত্তি কুক্ষিগত হৈ আছে। (এক বিলিয়ন = ১০০ কোটি, এক বিলিয়ন মাৰ্কিন ডলাৰ = ৮,৩৪০ কোটি টকা))

## শংকৰদেৱ বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ভৱপ্ৰসাদ চলিহাৰ দেহাৱসান



যোৱা ৭ এপ্ৰিল তাৰিখে ৰাজ্যৰ বিশিষ্ট সাহিত্যিক, শংকৰী সংস্কৃতিৰ পণ্ডিত তথা শিক্ষাবিদ ভৱপ্ৰসাদ চলিহাৰ ৮৯ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৩৪ চনৰ ২০ আগষ্টত নাহৰকটীয়াত জন্মগ্ৰহণ কৰা চলিহাই ১৯৬৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰি কৰ্মজীৱন আৰম্ভ কৰে। দুটা বিষয়ৰ স্নাতকোত্তৰ তথা আইনৰ স্নাতক অধ্যাপক চলিহাই ১৯৯৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰে। চলিহাই জীৱনকালত অসমীয়া, ইংৰাজী আৰু সংস্কৃত ভাষাত ৪০ খনৰো অধিক গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰি অসমৰ সাহিত্য জগতখনলৈ অমূল্য অৱদান আগ বঢ়াই থৈ গৈছে। শংকৰী সাহিত্যৰ এগৰাকী একনিষ্ঠ সেৱক অধ্যাপক চলিহাই দেশ-বিদেশৰ বিভিন্ন কাকত-আলোচনীত ৩০০ৰো অধিক তত্ত্বগধুৰ প্ৰবন্ধ প্ৰকাশ কৰি প্ৰখৰ প্ৰজ্ঞাৰ পৰিচয় দাঙি ধৰিছিল। বিভিন্ন সামাজিক অনুষ্ঠানৰ মুৰব্বী হিচাপে সেৱা আগ বঢ়োৱা সাহিত্যিক চলিহাই সংস্কৃত-অসমীয়া অভিধানৰ সংকলক হিচাপেও দায়িত্ব পালন কৰিছিল।

জীৱনজোৰা অধ্যৱসায় তথা গভীৰ প্ৰজ্ঞাৰে অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অসামান্য অৱদান আগ বঢ়োৱাৰ স্বীকৃতি স্বৰূপে তেওঁ বিভিন্ন বঁটা আৰু সন্মান লাভ কৰাৰ লগতে ২০২০ চনত শংকৰদেৱ বঁটাও লাভ কৰিছিল। তেওঁৰ মৃত্যু অসমৰ সাহিত্য জগতখনৰ বাবে অপূৰণীয় ক্ষতি বুলি বিবেচিত হৈছে।

## সংযুক্ত আৰব আমিৰ শ্বাহীত অস্বাভাৱিক বৃষ্টিপাত আৰু প্ৰলয়ংকৰী বান



যোৱা ১৭ এপ্ৰিল তাৰিখে পৰ্য্যটনৰ ভূস্বৰ্গস্বৰূপ সংযুক্ত আৰব আমিৰ শ্বাহীত হোৱা অস্বাভাৱিক প্ৰবল বৃষ্টিপাতত গোটেই দেশখন বানত বুৰ গৈ জনজীৱন স্তব্ধ হৈ পৰে। প্ৰবল বৃষ্টিপাত তথা বানৰ তাণ্ডবত সংযুক্ত আৰব আমিৰ শ্বাহীৰ লগতে চুবুৰীয়া ওমান, ছৌডি আৰব আৰু বহৰেইনৰো জনজীৱন স্তব্ধ হৈ পৰে। হঠাতে হোৱা এই অস্বাভাৱিক প্ৰবল বৃষ্টিপাতত বিশ্ব বাণিজ্য আৰু পৰ্য্যটনৰ ভূস্বৰ্গস্বৰূপ ডুবাই মহানগৰ আৰু আবুধাবি সৰ্বাধিক ক্ষতিগ্ৰস্ত হয়। ১২০ মিলিমিটাৰতকৈ অধিক বৃষ্টিপাত হোৱা ডুবাইৰ ৰাস্তা-পদূলি, ৰেলপথ আৰু বিমান বন্দৰ পানীত ডুব যায় আৰু যোগাযোগ আৰু যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰে। অতি শোচনীয় পৰিস্থিতিৰ বাবে ৫০ খন বিমানৰ যাত্ৰা বাতিল কৰা হয় আৰু জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হয়। অভাৱনীয় এই প্ৰাকৃতিক দুৰ্য্যোগত মুঠ ৭০ জন লোকৰ প্ৰাণহানি হয়। বতৰবিজ্ঞানীসকলৰ মতে ডেৰ বছৰৰ বৰষুণ মাত্ৰ ২৪ ঘণ্টাতে ডুবাইত পৰে আৰু এই বৃষ্টিপাত যোৱা ৭৫ বছৰৰ ভিতৰতে সৰ্বাধিক। অভাৱনীয় পৰিস্থিতিৰ বাবে শিক্ষানুষ্ঠানকে ধৰি ব্যাৱসায়িক কেন্দ্ৰসমূহ বন্ধ কৰি দিয়া হৈছে আৰু বৃহৎ আৰ্থিক ক্ষয়-ক্ষতিৰ জোৰা মাৰিবলৈ কেইবা বছৰো লাগিব বুলি কেন্দ্ৰীয় সংস্থাসমূহে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে গোলকীয় উষ্ণতা আৰু মাজে-সময়ে কৃত্ৰিম বৰষুণ সৃষ্টি কৰা ঘটনাই এই প্ৰাকৃতিক দুৰ্য্যোগৰ মূল কাৰণ বুলি বতৰবিজ্ঞানীসকলে অভিমত প্ৰকাশ কৰিছে।

## ভাৰত বিশ্বৰ চতুৰ্থ বৃহৎ সামৰিক শক্তি

ষ্টকহ'ম ইণ্টাৰনেছনেল পীচ ৰিছাৰ্চ ইন্সটিটিউটে ২৩ এপ্ৰিল তাৰিখে প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি ভাৰত বিশ্বৰ চতুৰ্থ বৃহৎ সামৰিক শক্তিৰূপে স্বীকৃত হয়। ১৯৬৬ চনতে স্থাপন হোৱা এই আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানটোৱে বিশ্বৰ বিভিন্ন দেশৰ সামৰিক বাহিনীৰ তথ্য বিশ্লেষণ, ব্যয় আৰু অস্ত্ৰ-শস্ত্ৰৰ লগতে সেনাৰ নিয়ন্ত্ৰণ সন্দৰ্ভত অধ্যয়ন চলাই যুগুত কৰা প্ৰতিবেদন অনুসৰি ভাৰত চতুৰ্থ বৃহৎ সামৰিক শক্তিৰূপে স্বীকৃত হয়। ২০২৪ বৰ্ষত ভাৰতৰ অন্তৰ্ৱীণ বাজেটত প্ৰতিৰক্ষা ব্যয় ৬.২১ লাখ কোটি টকা ধাৰ্য্য কৰা হৈছে। চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানতকৈ চীন দেশ ভাৰতৰ প্ৰতি অধিক আগ্ৰাসী হোৱাৰ পৰিপ্ৰেক্ষিততেই ভাৰতে সামৰিক ব্যয় প্ৰতি বছৰে বৃদ্ধি কৰিবলগীয়া হৈছে। চীনে ২০২৪ চনত সামৰিক ব্যয় ২৯৬ বিলিয়ন মাৰ্কিন ডলাৰ ধাৰ্য্য কৰিছে। চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা আহিব পৰা প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখিয়েই ভাৰতে যুদ্ধ বিমান, হেলিকপ্টাৰ, জাহাজ, টেংক, ৰকেট, মিছাইল আদি উন্নীতকৰণত গুৰুত্ব দিয়াৰ বাবেই সামৰিক ব্যয় বৃদ্ধি হৈছে। ষ্টকহ'ম ৰিছাৰ্চ অনুষ্ঠানটোৰ মতে এই তালিকাত আমেৰিকা যুক্তৰাষ্ট্ৰই শীৰ্ষস্থান দখল কৰাৰ বিপৰীতে চীন আৰু ৰাছিয়া ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থানত আছে।

## মহৰ্ষি তুহিনৰ 'মোৰ ঘোঁৰাৰ দুৰন্ত গতি'লৈ শ্ৰেষ্ঠ চুটি ছবিৰ বঁটা




মহৰ্ষি তুহিনৰ 'মোৰ ঘোঁৰাৰ দুৰন্ত গতি'য়ে ৰাছিয়াৰ গ'ল্ডেন ৰেভেন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ চুটি ছবিৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। এনাডিৰ চহৰত অনুষ্ঠিত মহোৎসৱত তুহিন কাশ্যপৰ হৈ ভাৰতীয় দূতাবাসৰ প্ৰতিনিধিয়ে বঁটা গ্ৰহণ কৰে। উল্লেখযোগ্য যে দেশে-বিদেশে শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰা এই চলচ্চিত্ৰখনে ২০২২ বৰ্ষত অস্কাৰ পুৰস্কাৰৰ বাবে ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ যোগ্যতা অৰ্জন কৰিছিল। তুহিন কাশ্যপৰ ছবিখন হৈছে অস্কাৰ পুৰস্কাৰৰ বাবে ভাৰতক প্ৰতিনিধিত্ব কৰা প্ৰথম অসমীয়া চুটি ছবি। পুৰস্কাৰপ্ৰাপ্ত এই ছবিখনৰ মূল উপজীব্য হৈছে ওজাপালি গোৱা এজন মানুহৰ জীৱন সংগ্ৰাম। মানুহজনে নিজৰ ঘোঁৰাটোক পৃথিৱীৰ বেগী ঘোঁৰা বুলি ভাবি ঘোঁৰা দৌৰ প্ৰতিযোগিতাত দৌৰাবলৈ লৈ যায় যদিও পাছত তেওঁৰ ঘোঁৰাটো প্ৰকৃততে এটা গাধ বুলিহে প্ৰমাণিত হয়। অসমৰ থলুৱা কৃষ্টি ওজাপালি প্ৰদৰ্শন কৰা ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে বিশিষ্ট অভিনেতা অতুল পাচনীয়ে। নীলাঞ্জনা ৰুদ্ৰাই প্ৰযোজনা কৰা ছবিখনৰ চিত্ৰনাট্য আৰু পৰিচালনা মহৰ্ষি তুহিন কাশ্যপৰ।

## সৰ্বকনিষ্ঠ দবা চেম্পিয়ন ভাৰতৰ ডি গুকেছ



যোৱা ২২ এপ্ৰিলত কানাডাৰ টৰণ্টোত অনুষ্ঠিত কেণ্ডিডেটছ দবা প্ৰতিযোগিতাত ভাৰতৰ ডি গুকেছে চেম্পিয়নৰ খিতাপ লাভ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিকাৰু নাকামুৰাৰ বিৰুদ্ধে খেলখন ড্ৰ হোৱাৰ ফলস্বৰূপে গুকেছে চেম্পিয়ন খিতাপ দখল কৰিবলৈ সক্ষম হয়। মাত্ৰ ১৭ বছৰ বয়সতে চেম্পিয়ন খিতাপ লাভ কৰি গুকেছে বিশ্ব দবাত ইতিহাস ৰচনা কৰে। এই জয়লাভ সূত্ৰে তেওঁ বিশ্ব চেম্পিয়ন ডিং লিৰেনক বিশ্ব চেম্পিয়নশ্বিপত প্ৰত্যাহ্বান জনোৱাৰ সুযোগ লাভ কৰে। বিশ্ব চেম্পিয়নশ্বিপত চীনৰ লিডেনক পৰাস্ত কৰিব পাৰিলে গুকেছ বিশ্বৰ সৰ্বকনিষ্ঠ বিশ্ব চেম্পিয়নৰূপে স্বীকৃত হ'ব। উল্লেখযোগ্য মেগলাছ কাৰ্লছেন আৰু গেৰী কাছপাৰভে ২২ বছৰ বয়সত বিশ্ব চেম্পিয়ন হৈছিল। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

## খবৰৰ লেছেৰি বোটলা

**(২১ মাৰ্চ, ২০২৪ ৰ পৰা ২০ এপ্ৰিল, ২০২৪লৈ)**

২১ **মাৰ্চ :** দুৰ্দৰ্ষ সন্ত্ৰাসবাদী সংগঠন আইচিচৰ ভাৰতীয় মুৰব্বী হৰিশ ফৰুকীক ধুবুৰীত গ্ৰেপ্তাৰ কৰা হয়।

- দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক আবকাৰী দুৰ্নীতিৰ গোচৰত বিধি বলবৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰে।

২২ **মাৰ্চ :** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক ভূটানৰ শ্ৰেষ্ঠ অসামৰিক বঁটা 'দা অৰ্ডাৰ অফ দা দ্ৰুংক খ্যালপো' প্ৰদান কৰা হয়।

২৩ **মাৰ্চ :** ইছলামিক ষ্টেট গ্ৰুপ উগ্ৰপন্থীয়ে মস্কোত কৰা আক্ৰমণত ১৫০ জন লোকৰ প্ৰাণহানি হয়।

২৪ **মাৰ্চ :** ৱৰ্ল্ড ইনইকুৱেলিটি লেব নামৰ গৱেষণা সংস্থাটোৰ তথ্য মতে ভাৰতৰ ১ শতাংশ লোকৰ হাতত ৪০% সম্পদ কেন্দ্ৰীভূত হৈ আছে।

২৬ **মাৰ্চ :** গুৱাহাটী আইআইটিয়ে ছোৱেইন ফ্লু বেমাৰৰ ভেক্‌চিন আৱিষ্কাৰ কৰি ইতিহাস ৰচনা কৰে।

২৭ **মাৰ্চ :** ল কমিছনৰ মুখ্য ন্যায়াধীশ ৰীতুৰাজ অৱস্থিয়ে 'লোকপাল'ৰ সদস্য হিচাপে নিযুক্তি লাভ কৰে।

২৯ **মাৰ্চ :** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মাইক্ৰ'ছফট্‌ৰ প্ৰতিষ্ঠাতা বিল গেটছৰ মাজত কৃষি, শিক্ষা, স্বাস্থ্য আদি বিষয়ত দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয়।

৩০ **মাৰ্চ :** শিৱাংগী ৰত্না বৰুৱাই ভাৰত চৰকাৰৰ পৰা যুৱ প্ৰতিভা শিল্পী বঁটা লাভ কৰে।

৩১ **মাৰ্চ :** জ্যেষ্ঠ আইএএছ বিষয়া ড° ৰবি কোটাই অসমৰ মুখ্য সচিব হিচাপে দায়িত্ব গ্ৰহণ কৰে।

- ভাষাবিদ, সাহিত্যাচাৰ্য্য, অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাৰ ৯১ বছৰ বয়সত দেহাৱসান ঘটে।

২ **এপ্ৰিল :** আন্তঃৰাষ্ট্ৰীয় ফিফা ৰেংকিঙত ভাৰতে ১২১ সংখ্যক স্থান অধিকাৰ কৰে।

৩ **এপ্ৰিল :** ভাৰতে ১ লাখ মেগাৱাট পাৰমাণৱিক শক্তি উৎপাদন কৰিব বুলি পাৰমাণৱিক শক্তি আয়োগৰ অধ্যক্ষ এ কে মোহান্তিয়ে ঘোষণা কৰে।

৪ **এপ্ৰিল :** যোৱা ৪০ বছৰত মাৰুতি ছুজুকীয়ে ৩ কোটি গাড়ী নিৰ্মাণ কৰি অভিলেখ সৃষ্টি কৰে।

৫ **এপ্ৰিল :** দীপৰ বিলৰ 'পক্ষী অভয়াৰণ্য'ৰ মৰ্য্যাদা বাহাল থাকিব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰায়দান কৰে।

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অৰ্থনৈতিক উপদেষ্টা ৰাকেশ মোহনক বিশ্ব বেংকৰ অৰ্থনৈতিক উপদেষ্টা হিচাপে মনোনীত কৰা হৈছে।

৬ **এপ্ৰিল :** সাহিত্য অকাডেমি বঁটা বিজয়ী, বিশিষ্ট সাহিত্যিক ড° প্ৰণৱজ্যোতি ডেকাৰ ৮৫ বছৰ বয়সত মৃত্যু হয়।

- কাজাখস্তানত অনুষ্ঠিত আন্তৰ্জাতিক চেলেঞ্জ বেডমিণ্টনত অসমৰ ঈশাৰাণী বৰুৱাই ৰূপৰ পদক দখল কৰে।

৭ **এপ্ৰিল :** মুকালমুৱাৰ নুৰ নাজমা বেগমে কঁঠাল গছৰ পাতত ভাৰতৰ ২৮ খন ৰাজ্যৰ মানচিত্ৰ অংকন কৰি 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ'ত নাম অন্তৰ্ভুক্ত কৰে।

৯ **এপ্ৰিল :** কাছাৰৰ ডলু চাহ বাগিচাত গ্ৰীণ ফিল্ড বিমান বন্দৰ নিৰ্মাণত উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰে।

১০ **এপ্ৰিল :** দেশত ১১২ খন নতুন মেডিকেল কলেজ স্থাপনত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনায়।

১৬ **এপ্ৰিল :** সাগৰ তলিত ১.১০ কোটি টন আবৰ্জনা আছে বুলি কমনৱেলথ বিজ্ঞানী সংস্থা আৰু টৰণ্টো বিশ্ববিদ্যালয়ৰ বিজ্ঞানীয়ে প্ৰকাশ কৰে।

- ইউৰোপীয়ান স্পেচ এজেন্সিয়ে সূৰ্য্যতকৈ ৩৩ গুণ ডাঙৰ কৃষ্ণ গহ্বৰ আৱিষ্কাৰ কৰে।

১৭ **এপ্ৰিল :** দেশৰ প্ৰবীণতম পাইলট দ্বিতীয় বিশ্বযুদ্ধৰ সফল যোদ্ধা জলিপ সিং মাজিথিয়াৰ ১০৪ বছৰ বয়সত মৃত্যু হয়।

১৮ **এপ্ৰিল :** মাদ্ৰাজ আইআইটিৰ অধ্যাপক দেবেন্দ্ৰ জালিহালক গুৱাহাটী আইআইটিৰ সঞ্চালক হিচাপে নিযুক্তি দিয়া হয়।

১৯ **এপ্ৰিল :** এডমিৰেল দীনেশ ত্ৰিপাঠী ভাৰতৰ নৌ সেনাৰ নতুন মুৰব্বী হিচাপে নিযুক্ত হয়।

২০ **এপ্ৰিল :** কেন্দ্ৰীয় বাণিজ্য-উদ্যোগ মন্ত্ৰালয়ে মুদ্ৰাস্ফীতিৰ শীৰ্ষত ওড়িশা (৭.১ শতাংশ) আৰু ৬.১ শতাংশৰে অসম দ্বিতীয় স্থানত আছে বুলি প্ৰকাশ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমীয়া ফকৰা-যোজনা

### আগ গুণি নুগুণে পাছ, লোভত মৰে বৰশীৰ মাছ



আগ-পাছ নুগুণি কাম কৰিলে ভৱিষ্যতে সেই কামে বিপদ মাতিব পাৰে। যিদৰে মাছে লোভত পৰি বৰশীত থকা টোপ গিলি নিজৰ সৰ্বনাশ মাতি আনে, তেনেদৰে সঠিকভাৱে চিন্তা-চৰ্চা নকৰাকৈ কোনো এটা কাম কৰিলে পাছলৈ সেই কামে সমস্যা বঢ়োৱাৰ সম্ভাৱনা থাকে।

**প্ৰায়োগিক বাক্য : কিবা এটা কৰাৰ আগতে ভালদৰে ভবা-চিন্তা কৰি ল'বলৈ তহঁতক কৈ অহা নাছিলোঁনে? এতিয়া বিপদত পৰি কন্দা-কটা কৰিলে নহ'ব নহয়—ইয়াকে কয় বোলে আগ গুণি নুগুণে পাছ, লোভত মৰে বৰশীৰ মাছ। ❖**

### অতিথি নুপূজে যাৰ ঘৰত, লক্ষ্মী নাথাকে তাৰ ঘৰত

ঘৰলৈ অহা অতিথিক নিজৰ সাধ্য অনুসৰি আদৰ-আপ্যায়ন কৰাটো সকলোৰে কৰ্তব্য। অতিথিক ভালদৰে সেৱা-সৎকাৰ কৰা লোকৰ ঘৰত লক্ষ্মীয়েও কৃপাদৃষ্টি দিয়ে বুলি ধাৰণা কৰা হয়। যি মানুহৰ ঘৰত আলহীক মান-সন্মান কৰা নহয়, তেনে লোকৰ ঘৰত লক্ষ্মীও নাথাকে বুলি জনসমাজত বিশ্বাস প্ৰচলিত হৈ আছে।

**প্ৰায়োগিক বাক্য : বৰুৱানীৰ ঘৰত আলহী-অতিথিক সোধ-পোছ কৰা কাহানিবা দেখিছ জানো—সেয়েহে সিহঁতৰ উদ্‌গতিও নাই। কথাতে কয় নহয়—অতিথি নুপূজে যাৰ ঘৰত, লক্ষ্মী নাথাকে তাৰ ঘৰত। ❖**




## গাৰোসকলৰ আগালমাকা উৎসৱ



আগালমাকা গাৰোসকলৰ এক কৃষিভিত্তিক উৎসৱ। খেতিপথাৰ শস্যৰে নদন-বদন হোৱাৰ কামনাৰে গাৰোসকলে পথাৰত শস্য সিঁচাৰ আগে আগে এই উৎসৱ পালন কৰে। পোনপ্ৰথমে খেতি কৰিবৰ কাৰণে তেওঁলোকে নিৰ্দিষ্ট অঞ্চললৈ গৈ বন-জংঘল পৰিষ্কাৰ কৰি লয়। তাৰ পাছত গাঁৱলৈ উভতি আহি এই উৎসৱ পালন কৰে।

আগালমাকা উৎসৱৰ আৰম্ভণিতে এডাল বাঁহ গাঁৱৰ যিকোনো এঠাইত পোতা হয়। বাঁহডালৰ চাৰিওকাষে আগলতি কলপাত পাৰি তাত ভাত, মাংস, শুকান মাছ, সিজোৱা ধান আদিৰে নৈবেদ্য আগ বঢ়ায় আৰু লগতে এটা মাটিৰ পাত্ৰত পৰম্পৰাগত পানীয় 'চু' আগ বঢ়োৱা হয়। ইয়াৰ পাছত গাঁৱৰ ডেকা-গাভৰুৱে সকলোৰে ঘৰে ঘৰে গৈ নৃত্য-গীত কৰি 'চু' পান কৰে। এনেদৰে দুদিন ধৰি নৃত্য-গীত কৰাৰ পাছত দ্বিতীয়দিনাৰ ৰাতি এই উৎসৱৰ সামৰণি মৰা হয়। এই অনুষ্ঠানৰ সামৰণিৰ পাছত উৎসৱত ব্যৱহৃত ঢোল, শিঙা আদি বাদ্যযন্ত্ৰবোৰ গাঁৱৰ মুখিয়ালজনৰ (ন'ক্মা) ঘৰত থৈ দিয়ে আৰু গাঁৱৰ সকলোৱে একেলগে 'চু' পান কৰে। ইয়াকে তেওঁলোকে 'দামা-গোগাতা' বুলি কয়। 'দামা-গোগাতা'ৰ পাছত শস্য নপকালৈকে ঢোল, শিঙা আদি বজোৱা নিষেধ। এই উৎসৱ শেষ হোৱাৰ পাছতহে গাৰোসকলে খেতিপথাৰত শস্য সিঁচিবলৈ আৰম্ভ কৰে। ❖

## প্ৰথম অসমীয়া উপন্যাস ভানুমতী




পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা 'ভানুমতী' নামৰ উপন্যাসখন অসমীয়া সাহিত্যৰ প্ৰথম উপন্যাস। এই উপন্যাসখন ১৮৯১ চনত বিজুলী আলোচনীৰ পাতত খণ্ড খণ্ডকৈ প্ৰকাশ পাইছিল। অৱশ্যে এই উপন্যাসখন ১৯০৮ চনতহে গ্ৰন্থ আকাৰে প্ৰকাশিত হয়। এই উপন্যাসখন ধাৰাবাহিকভাৱে বিজুলী আলোচনীত প্ৰকাশ হৈ থকা সময়তে গোহাঞিবৰুৱাই ৰচনা কৰা দ্বিতীয়খন উপন্যাস 'লাহৰী' (১৮৯২) গ্ৰন্থ আকাৰে প্ৰকাশ হৈ ওলায়। গতিকে 'ভানুমতী' উপন্যাসখন অসমীয়া সাহিত্যৰ প্ৰথম উপন্যাস হ'লেও গ্ৰন্থ আকাৰে প্ৰকাশিত প্ৰথম উপন্যাসখনৰ নাম 'লাহৰী'। উপন্যাসখনত ভানুমতী আৰু চাৰু গোহাঞি নামৰ এহাল ডেকা-গাভৰুৰ প্ৰণয়ৰ কাহিনী আছে। আনহাতে, লাহৰী উপন্যাসখন এখন সামাজিক উপন্যাস। উপন্যাসখনৰ ঘটনাৰাজিক মানৰ আক্ৰমণৰ লগত সাঙুৰি দিয়া হৈছে যদিও উপন্যাসৰ কাহিনীত এই আক্ৰমণৰ ঘটনাই গুৰুত্ব লাভ কৰা নাই। ❖

## শুৱলা ভাষা

আমি সততে ভুল কৰি থকা কেইটিমান শব্দৰ শুদ্ধৰূপ এনে ধৰণৰ—

| ভুল | শুদ্ধ | প্ৰায়োগিক বাক্য |
| --- | --- | --- |
| উদ্যোগিক | ঔদ্যোগিক | ঔদ্যোগিক এলেকাটোৰ পৰিবেশ দূষিত হৈ পৰিছে। |
| উৰ্ত্তীণ | উত্তীৰ্ণ | ৰক্তিম এইবাৰ পৰীক্ষাত ৮০ শতাংশ নম্বৰ পাই উত্তীৰ্ণ হৈছে। |
| তাৰোপৰি | তদুপৰি | তাই বজাৰ-সমাৰ কৰি আনিলেই, তদুপৰি ঘৰলৈ অহা সকলো মানুহক চাহ-জলপানো দিলে। |
| দিকদাৰ | দিগদাৰ | ইমান দিগদাৰ কৰি নাথাকিবাচোন। |
| সাহাৰ্য্য | সাহায্য | দৰিদ্ৰ পৰিয়ালটোলৈ মই কিঞ্চিৎ সাহায্য আগ বঢ়ালোঁ। ❖ |

## অগ্নি সেৱা দিৱস





প্ৰতি বছৰে ১৪ এপ্ৰিলৰ দিনটো ভাৰতত অগ্নিসেৱা দিৱসৰূপে (Fire Services Day) পালন কৰা হয়। ১৯৪৪ চনৰ এই দিনটোতে এছ এছ ফোৰ্ট ষ্টিকিনে (SS Fort Stikine) নামৰ অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰী কঢ়িওৱা জাহাজ এখন ১৩১৮ টন বিস্ফোৰক সামগ্ৰীসহ মুম্বাইৰ ভিক্টোৰিয়া জাহাজঘাটত বিস্ফোৰিত হয়। এই বিস্ফোৰণত ১২ খন জাহাজ সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ লগতে ১২০০ গৰাকী ব্যক্তিয়ে প্ৰাণ হেৰুৱায়। বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা প্ৰচণ্ড অগ্নিকাণ্ডত মুম্বাই বন্দৰ, অগ্নি নিৰ্বাপক বাহিনী, স্থল সেনা, নৌসেনা আৰু আৰক্ষী বাহিনীৰ মুঠ ২৩১ জন ব্যক্তিৰ মৃত্যু হয়। সুদীৰ্ঘ ৪৫ দিনৰ মূৰত এই অগ্নিকাণ্ড নিয়ন্ত্ৰণলৈ আহে। সেই কৰুণ ঘটনাৰ সোঁৱৰণত তেতিয়াৰে পৰা ১৪ এপ্ৰিলৰ দিনটো ভাৰতত অগ্নি সেৱা দিৱসৰূপে পালন কৰি অহা হৈছে। ❖

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# বিশ্ব নাৰ্ছ দিৱস






সমগ্ৰ বিশ্বতে প্ৰতি বছৰে ১২ মে' তাৰিখে 'বিশ্ব নাৰ্ছ দিৱস' পালন কৰা হয়। এই দিনটো বিখ্যাত ইংৰাজ ধাত্ৰী অৰ্থাৎ শুশ্ৰূষাকাৰিণী ফ্লোৰেন্স নাইটিংগেলৰ জন্মদিন। এই দিৱস পালনৰ জৰিয়তে ফ্লোৰেন্স নাইটিংগেলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে সমগ্ৰ বিশ্বৰ ধাত্ৰীসকলে ৰোগীসকলৰ প্ৰতি আগ বঢ়োৱা আন্তৰিক সেৱাৰ বাবে তেওঁলোকলৈ কৃতজ্ঞতা প্ৰকাশ কৰা হয়। ১৯৭৪ চনৰ পৰা এই দিৱস পালন কৰি অহা হৈছে। প্ৰতি বছৰে ১২ মে'ৰ দিনটোত লণ্ডনৰ ৱেষ্টমিনষ্টাৰ এবেত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত এবেৰ নাৰ্ছৰ প্ৰাৰ্থনাগৃহৰ পৰা নাৰ্ছসকলে শাৰী পাতি এগৰাকীয়ে সিগৰাকীৰ হাতত এটি সাংকেতিক লেম্প তুলি দিয়ে। এনেদৰে এই সাংকেতিক লেম্প এবেৰ মূল গৃহলৈ কঢ়িয়াই নিয়া হয় আৰু শেষত এবেৰ শীৰ্ষস্থানীয় ব্যক্তিজনৰ হাতত তুলি দিয়া হয়। তেওঁ সেই লেম্পটো এক উচ্চ স্থানত স্থাপন কৰে। এই কামৰ তাৎপৰ্য্য হ'ল এগৰাকী নাৰ্ছৰ পৰা আন এগৰাকী নাৰ্ছলৈ জ্ঞানৰ পোহৰ বিলোৱা। তদুপৰি ইয়াৰ যোগেদি 'দি লেডী উইথ দি লেম্প' (The lady with the lamp) অভিধাৰ অধিকাৰিণী নাইটিংগেলক স্মৰণ কৰা হয়।

উল্লেখযোগ্য যে ফ্লোৰেন্স নাইটিংগেলৰ জন্ম হৈছিল ১৮২০ চনৰ ১২ মে' তাৰিখে। তেওঁক আধুনিক ধাত্ৰী বিদ্যাৰ প্ৰতিষ্ঠাপক হিচাপে জনা যায়। ১৮৫৩ চনৰ পৰা ১৮৫৬ চনলৈ চলা ক্ৰিমিয়ান যুদ্ধত (Crimean War) সৈনিকসকলক কৰা সেৱা-শুশ্ৰূষাৰ বাবে তেওঁ বিশ্ববিখ্যাত হৈ পৰিছিল। এটি লেম্প লৈ নিশা আঘাতপ্ৰাপ্ত সৈনিকসকলৰ সেৱা কৰাৰ বাবে তেওঁক 'দি লেডী উইথ দি লেম্প' বুলি জনা যায়। ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিওঁতা (এপ্ৰিল, ২০২৪)

জাহ্নু বিকাশ শৰ্মা (ষষ্ঠ খ) ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমৰ নদ-নদী



**মানাহ নদী (ইংৰাজী** : Manas River) : ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বহু বছৰ ধৰি অসম ৰাজ্যৰ পশ্চিম সীমাৰূপে ব্যৱহৃত হোৱা এইখন এখন অতি প্ৰাচীন নৈ। এই মানাহ নৈখন বৰ্তমান বৰপেটা জিলাৰ সীমামূৰীয়া নদী। ভূটানৰ পৰা নামি অহা খৰস্ৰোতা বুৰঞ্জীপ্ৰসিদ্ধ নৈখনৰ দৈৰ্ঘ্য সৰ্বমুঠ ৩৭৬ কিল'মিটাৰ। নৈখন বগৰীবাৰী অঞ্চলৰ মাজেৰে বৈ গৈ যোগীঘোপাৰ ওচৰত বিশাল ব্ৰহ্মপুত্ৰত লগ লাগিছে। ভূটান আৰু অসমৰ নদী উপত্যকাত নৈখনে ৰাজ্যৰ বিভিন্ন সুঁতি আৰু পৰ্বতীয়া জুৰিৰ লগ লাগি প্ৰবল বেগেৰে আহি অসমত সোমাই পৰিছে। মানস ৰাষ্ট্ৰীয় উদ্যান তথা মথনগুৰিৰ মাজেৰে বৈ আহি অবিভক্ত কামৰূপ জিলা আৰু গোৱালপাৰা জিলাৰ সীমা নিৰ্ধাৰণ কৰি আহি ব্ৰহ্মপুত্ৰত পৰিছে। সম্প্ৰতি এই নদীখনে বেঁকী আৰু চাউলখোৱা নদীৰ লগ লাগি ব্ৰহ্মপুত্ৰৰ পাৰৰ বুৰঞ্জীপ্ৰসিদ্ধ হাদিৰাচকী আৰু বৰ্তমানৰ বাঘবৰ পাহাৰৰ পশ্চিমাঞ্চলৰ লুইতত পৰিছে। মানাহ নদী উপত্যকাত বহুতো পৰ্বতীয়া সুঁতি আৰু প্ৰাকৃতিক জুৰি লগ হৈ নদীখনক শক্তিশালী কৰি তুলিছে—যাৰ পাৰে পাৰে পৰ্বতৰ পাদদেশত ডাঠ পৰ্ণপাতী অৰণ্য গঢ় লৈ উঠিছে। ❖



**বেঁকী নদী (ইংৰাজী** : Beki River) : বেঁকী নদীখন ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এখন প্ৰধান নৈ। ভূটানৰ পৰা উৎপত্তি হোৱা এই নৈখন অসমৰ এক বৃহৎ অংশৰ মাজেৰে বৈ গৈছে। বেঁকী নৈখনৰ দৈৰ্ঘ্য প্ৰায় ১১২ কিল'মিটাৰ। বেঁকী নদীৰ দুয়োপাৰে এক মনোৰম প্ৰাকৃতিক সৌন্দৰ্য্য দেখিবলৈ পোৱা যায়। এই নদীখন ভূটানৰ পৰা প্ৰবাহিত হৈ মথনগুৰি, নাৰংগুৰি, ভালগুৰি, মইনামাতা, ওদালগুৰি, বৰপেটা ৰোড, সৰভোগ, কলগাছিয়া, থাৰবাল্লি, চান্দপুৰ, বালিকুৰি, গোবিন্দপুৰ, মইনবড়ী আদি ঠাইৰ মাজেৰে বৈ আহি মহাবাহুৰ বিশাল বুকুত মিলিত হৈছে। বেঁকী নদীখনক ভূটানত কুৰিশ্বু নৈ নামেৰেও জনা যায়। এই নদীৰ গৰাখহনীয়াই বৰপেটা আৰু বাগসা জিলাৰ বিভিন্ন অঞ্চলত সমস্যাৰ সৃষ্টি কৰি আহিছে। তদুপৰি ভূটানৰ কুৰিশ্বু নদীবান্ধৰ পৰা এৰি দিয়া পানীৰ তীব্ৰ ধলে প্ৰায়ে প্ৰতি বছৰে বানপানীৰ সৃষ্টি কৰে। বেঁকী নদীৰ পাৰত বিভিন্ন ঠাইত পৰ্য্যটনস্থলী গঢ় লৈ উঠিছে। খৰালি কালত নদীখনৰ সৰহভাগ ঠাই বালিৰে ভৰি থাকে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| মুখ্য, প্ৰধান | major | নাৱিক | mariner, sailor |
| মেজৰ | major (army) | চিহ্ন | mark, symbol |
| সংখ্যাগৰিষ্ঠ | majority | বজাৰ, হাট | market |
| দ্বেষপূৰ্ণ | malicious | বাল্য বিবাহ | child marriage |
| পুষ্টিহীনতা | malnutrition | ৰাজমিস্ত্ৰি | mason |
| বাধ্যতামূলক | mandatory | দ্ৰব্য, বস্তু | material |
| পৰিচালক | manager | লুটি আই | measles |
| আৱৰণ | mantle, cover | জোখ-মাপ | measurement |
| হাতপুথি | manual | উপায় | measures |
| অভিসাধন | manipulation | পদক | medal |
| নিৰ্মাণ, তৈয়াৰ কৰা | manufacture | মধ্যস্থতাকাৰী | mediator |
| সাৰ | fertilizer | ঔষধ, দৰব | medicine |
| পাণ্ডুলিপি | manuscript | সদস্য | member |
| মানচিত্ৰ | map | স্মাৰক | memento |
| দাঁতি | margin, edge | পাৰা | mercury ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# মামণি ৰয়ছম গোস্বামী

■ হিমাদ্ৰী বৰা



"সুখ মানেও ৰহস্য, দুখ মানেও ৰহস্য।" মানুহৰ জীৱনৰ সুখ-দুখ, পোৱা-নোপোৱা আদিবোৰৰ সম্পৰ্কত এইদৰে কৈছিল অসমীয়া সাহিত্যৰ জ্ঞানপীঠ বঁটা বিজয়ী দ্বিতীয়গৰাকী অসমীয়া সাহিত্যিক মামণি ৰয়ছম গোস্বামীয়ে। জীৱনৰ সুখ-দুখৰ ৰহস্য উদ্‌ঘাটনৰ প্ৰয়াস কৰিছিল তেওঁ সাহিত্য সৃষ্টিৰ জৰিয়তে। তেওঁ জীয়াই থকাৰো মূল চালিকা শক্তি কেৱল তেওঁৰ লিখনীসমূহ।

সৰুৰে পৰা ভাবুক, সংবেদনশীল, লিখনীৰ মাজেৰে জীয়াই থাকিবলৈ সাহস বিচাৰিব জনা অত্যন্ত সাহসী এগৰাকী নাৰী মামণি ৰয়ছম গোস্বামী। তেওঁ স্কুলত পঢ়ি থকা সময়ৰে পৰা, প্ৰায় ১৩ বছৰ বয়সৰ পৰাই লিখা-মেলাৰ কাম আৰম্ভ কৰিছিল। শিশু আলোচনীবোৰত তেওঁৰ লিখনীসমূহ প্ৰকাশ পাইছিল। বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পোৱা গল্পসমূহ একত্ৰিত কৰি ১৯৬২ চনত তেওঁ 'চিনাকি মৰম' নামেৰে প্ৰথমখন গল্প-সংকলন প্ৰকাশ কৰিছিল। প্ৰথম অৱস্থাত গল্প ৰচনাৰে সাহিত্যৰ ক্ষেত্ৰখনত খোজ পেলোৱা ড° মামণি ৰয়ছম গোস্বামীয়ে পৰৱৰ্তী সময়ত সফল ঔপন্যাসিক, অনুবাদক তথা এগৰাকী বিশিষ্ট সাহিত্যিকৰূপে সমগ্ৰ অসমৰ লগতে বিশ্বতো পৰিচিতি লাভ কৰিবলৈ সক্ষম হয়।

নিজস্ব অভিজ্ঞতাৰে পুষ্ট 'চেনাবৰ স্ৰোত' তেওঁৰ প্ৰথম উপন্যাস। ইয়াৰ পাছতে নীলকণ্ঠী ব্ৰজ, অহিৰণ, মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস, দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা, থেংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল শীৰ্ষক উপন্যাসকে ধৰি মুঠ বাৰখন উপন্যাস ৰচনা কৰে। সেইদৰে চিনাকি মৰম, কইনা, হৃদয় এক নদীৰ নাম আদি গল্প সংকলন; প্ৰেমচান্দৰ চুটিগল্প, আধা ঘণ্টা সময় আদি পাঁচখন অনুবাদ গ্ৰন্থ; Ramayana : From Ganga to Brahmaputra শীৰ্ষক ইংৰাজী গ্ৰন্থ; আধালেখা দস্তাবেজ, দস্তাবেজৰ নতুন পৃষ্ঠা, অপ্সৰা গৃহ শীৰ্ষক আত্মজীৱনী; মহীয়সী কমলা, মা শীৰ্ষক জীৱনী আদি ৰচনাৰে সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ যোৱাৰ লগতে বিশ্ব সাহিত্যৰ ইতিহাসতো নিজৰ নাম খোদিত কৰি থৈ গৈছে।

ড° মামণি ৰয়ছম গোস্বামীৰ মতে যিবিলাক সাহিত্যই মানুহৰ অন্তৰ স্পৰ্শ কৰে, অন্তৰত সঁচা মানৱতা জগাই তোলে, সেই সাহিত্যহে প্ৰকৃত সাহিত্য। সেয়ে তেওঁ বাস্তৱ জীৱনৰ প্ৰকৃত সত্যক সাহিত্যৰ জৰিয়তে প্ৰকাশ কৰি পাঠকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। তেওঁ অত্যন্ত সাহসী আছিল বাবেই মানুহক মানুহ হৈ জীয়াই থকাৰ প্ৰতিবন্ধক ৰূপে থিয় দি উঠা হিন্দু সমাজৰ গোড়ামি, ৰক্ষণশীল সামাজিক পৰম্পৰাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে 'দঁতাল হাতী উঁয়ে খোৰা হাওদা' আৰু 'নীলকণ্ঠী ব্ৰজ' উপন্যাসত।

নাৰী জীৱনৰ দ্বন্দ্ব-সংঘাত, জীৱনৰ কৰুণ বাস্তৱতা প্ৰকাশ কৰি সাহিত্যৰ ৰূপ দিওঁতা এইগৰাকী বিশিষ্ট লেখিকা ড° মামণি ৰয়ছম গোস্বামীৰ কৰ্মজীৱন আৰম্ভ হয় গোৱালপাৰাৰ সৈনিক স্কুলত এগৰাকী শিক্ষক হিচাপে। তেওঁৰ স্বামী মাধৱেন ৰয়ছম আয়েংগাৰৰ অকাল মৃত্যুত তেওঁ মানসিকভাৱে ভাগি পৰিছিল। সেয়ে মনটোক অলপ সান্ত্বনা দিবৰ বাবেই শিক্ষকতা বৃত্তিৰ লগত জড়িত হৈ পৰিছিল। সেই সময়তে তেওঁ

ড° উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ অধীনত গৱেষণা কৰিবৰ বাবে 'বৃন্দাবন ইন্সটিটিউট অৱ অৰিয়েণ্টেল ফিলছফী'লৈ মনোনীত হয়। ১৯৭৩ চনত তেওঁ 'মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ আৰু তুলসী দাসৰ ৰামচৰিত মানসৰ তুলনামূলক অধ্যয়ন' বিষয়ত গৱেষণা কৰি সন্মানীয় পিএইচডি ডিগ্ৰী লাভ কৰে। 'ৰামায়ণী সাহিত্য'ৰ জৰিয়তে তেওঁ অসমক সৰ্বভাৰতীয় স্তৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। ১৯৭১ চনতে তেওঁ দিল্লী বিশ্ববিদ্যালয়ত 'আধুনিক ভাৰতীয় ভাষা-সাহিত্য অধ্যয়ন বিভাগ'ত অসমীয়া ভাষা বিষয়ৰ অধ্যাপিকা হিচাপে নিযুক্তি লাভ কৰে।

১৯৮২ চনত 'মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস' শীৰ্ষক উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা, 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ বাবে ১৯৮৮ চনত অসম সাহিত্য সভা বঁটা লাভ কৰে। ২০০০ চনত তেওঁ ভাৰতৰ সৰ্বোচ্চ সাহিত্য সন্মান 'জ্ঞানপীঠ বঁটা' লাভ কৰে। ২০০২ চনত ভাৰত চৰকাৰে 'পদ্মশ্ৰী' সন্মান প্ৰদান কৰিছিল যদিও তেওঁ গ্ৰহণ নকৰিলে। ২০১৩ চনত মৰণোত্তৰভাৱে তেওঁক 'অসম ৰত্ন' বঁটা প্ৰদান কৰা হয়।

সৰুৰে পৰা মেধাবী মামণি ৰয়ছম গোস্বামীয়ে শিক্ষা জীৱন আৰম্ভ কৰে গুৱাহাটীৰ লতাশিল প্ৰাথমিক বিদ্যালয়ত। দেউতাকৰ চাকৰি শ্বিলঙলৈ বদলি হোৱাত শ্বিলঙৰ পাইন মাউণ্ট স্কুলৰ পৰা প্ৰাইমাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ পুনৰ গুৱাহাটীলৈ আহি তাৰিণী চৌধুৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। গুৱাহাটী সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ পৰা অসমীয়া বিষয়ত স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেওঁৰ পিতৃ ডা° উমাকান্ত গোস্বামী আছিল কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত হোৱা মেট্ৰিকুলেছন পৰীক্ষাত (১৯১৪) অসম উপত্যকাৰ ভিতৰত প্ৰথম হৈ সোণৰ পদক পোৱা ব্যক্তি। তেওঁৰ মাতৃৰ নাম অম্বিকাদেৱী গোস্বামী। যিগৰাকীৰ সাহস, মনোবল আৰু দাৰ্শনিক বিচাৰধাৰাই জন্ম দিছিল ড° মামণি ৰয়ছম গোস্বামী নামৰ স্থিতপ্ৰজ্ঞ আৰু জীৱনক ভাল পাবলৈ শিকা, বাস্তৱতাক লেখনীৰ জৰিয়তে প্ৰকাশ কৰি তোলা লেখিকাগৰাকীক।

১৯৪২ চনৰ ১৪ নৱেম্বৰত জন্মগ্ৰহণ কৰা ড° মামণি ৰয়ছম গোস্বামীৰ প্ৰকৃত নাম আছিল ইন্দিৰা গোস্বামী। সাহিত্য ৰচনাৰ দৰে সৃষ্টিমূলক কাম কৰাৰ উপৰি তেওঁ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত আছিল। তদুপৰি অসমৰ বিদ্ৰোহী সংগঠন 'সংযুক্ত মুক্তি বাহিনী, অসম'ক অস্ত্ৰ সম্বৰণ কৰিবলৈ আহ্বান জনাই শান্তি শৃংখলা অটুট ৰাখিবৰ বাবেও তেওঁ আলোচনাত আগভাগ লৈছিল। এইগৰাকী বিশিষ্ট সাহিত্যিক, সমাজৰ শুভ চিন্তক ড° গোস্বামীৰ ৬৯ বছৰ বয়সত ২০১১ চনৰ ২৯ নৱেম্বৰ তাৰিখে মৃত্যু হয়। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ শুদ্ধ উত্তৰ দিওঁতা (এপ্ৰিল ২০২৪)

১। প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (ষষ্ঠ খ) ২। বৰ্ণিল বেদাৰ্ক কলিতা (ষষ্ঠ খ) ৩। জাহ্নু বিকাশ শৰ্মা (ষষ্ঠ খ)
৪। ৰিহান হাজৰিকা (ষষ্ঠ খ) ৫। পূবাঞ্চী দাস (ষষ্ঠ ঘ) ৬। পল ভৰালী (ষষ্ঠ গ)
৭। জিয়ান ফুকন ঠাকুৰীয়া (পঞ্চম ঘ) ৮। প্ৰভাংশু শেখৰ কৌশিক (দশম ঘ) ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (এপ্ৰিল)

১। ঢোল ২। সৰ্বেপল্লী ৰাধাকৃষ্ণণ ৩। নিপ বৰুৱা ৪। কৃষ্ণকান্ত সন্দিকৈ
৫। Multiple Independently Targetable Reentry Vehicle ❖

# অক্সফৰ্ড বিশ্ববিদ্যালয়

■ জুলি শইকীয়া



ইংলণ্ডৰ প্ৰথম আৰু বিশ্বৰ প্ৰসিদ্ধ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত অন্যতম শিক্ষানুষ্ঠান অক্সফৰ্ড বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিল ১১৬০ চনৰ পৰা ১১৬৮ চনৰ ভিতৰত। এই বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ নিৰ্দিষ্ট তাৰিখ সম্পৰ্কে কোনো নিশ্চিত নহয়। অক্সফৰ্ড বিশ্ববিদ্যালয় মধ্য-দক্ষিণ ইংলণ্ডৰ লণ্ডন মহানগৰীৰ পৰা প্ৰায় ৮৮ কিল'মিটাৰ উত্তৰ-পশ্চিমৰ অক্সফৰ্ড নামে ঠাইত অৱস্থিত।

অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অনুমোদনপ্ৰাপ্ত মহাবিদ্যালয়সমূহৰ প্ৰাচীনতম মহাবিদ্যালয়খনৰ নাম হ'ল ইউনিভাৰ্ছিটি কলেজ। এই কলেজখন ১২৪৯ চনত প্ৰতিষ্ঠা হৈছিল। বৰ্তমান অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অধীনত ৩৬ খন মহাবিদ্যালয় আছে। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অন্যতম বৈশিষ্ট্য হ'ল ইয়াৰ প্ৰশাসনিক ব্যৱস্থা। ইয়াত কেন্দ্ৰীভূত চৌহদৰ পৰিবৰ্তে ৩৯ খন স্বায়ত্তশাসিত মহাবিদ্যালয় আছে। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অন্তৰ্গত প্ৰতিখন মহাবিদ্যালয়েই হৈছে একো একোখন স্বতন্ত্ৰ শৈক্ষিক প্ৰতিষ্ঠান।

অক্সফৰ্ড বিশ্ববিদ্যালয়ত কলা, বিজ্ঞান, সমাজ বিজ্ঞান আদি বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ পৰ্য্যায়ত শিক্ষা গ্ৰহণ কৰাৰ সুবিধা আছে। ইয়াৰ অধ্যয়ন পদ্ধতিৰ এক বিশেষত্ব হ'ল ইয়াৰ টিউটৰিয়েল প্ৰণালী। এই প্ৰণালীত শিক্ষাৰ্থীসকলক কিছুমান সৰু সৰু গোটত ভাগ কৰি একো একোজন শিক্ষকৰ তত্বাৱধানত ৰখা হয়। এনে কাৰ্য্যই শিক্ষাৰ্থীসকলৰ সৰ্বাংগীণ বিকাশত সহায় কৰে। তদুপৰি এই বিশ্ববিদ্যালয় হৈছে বিভিন্ন গৱেষণা আৰু উদ্ভাৱনৰ কেন্দ্ৰ। গৱেষণাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ বাবেই অক্সফৰ্ড বিশ্ববিদ্যালয়ে বিশ্বৰ বিশ্ববিদ্যালয়সমূহৰ ভিতৰত শীৰ্ষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। এই বিশ্ববিদ্যালয়তে বহুতো বিখ্যাত ব্যক্তিয়ে অধ্যয়ন কৰিছিল। ইয়াৰ ভিতৰত টনী ব্লেয়াৰ, ৰ'ৱান এটকিন্‌চন (মি বীন), ইন্দিৰা গান্ধী, এমা ৱাটছন, আডাম স্মিথ, বিল ক্লিণ্ট'ন, অ'স্কাৰ ৱাইল্ড, ছাৰ ৱাল্টাৰ ৰেলে, মাৰ্গাৰেট থ্যাচাৰ, ষ্টিফেন হকিং, মালালা ইউছুফজাই আদি অন্যতম।

অক্সফৰ্ড বিশ্ববিদ্যালয় বহুতৰ বাবে এখন সপোনৰ বিশ্ববিদ্যালয়। ইয়াত পঢ়াৰ বাবে বহুতৰ মনত সপোন থাকে। সেই সপোন দিঠকত পৰিণত কৰিবলৈ হ'লে শিক্ষাৰ্থীসকলৰ একাণপতীয়া চেষ্টা লাগিব।

অক্সফৰ্ড বিশ্ববিদ্যালয়ত নামভৰ্তিৰ আবেদন প্ৰক্ৰিয়া প্ৰতি বছৰে জুন মাহৰ পৰা ইউচিএএছৰ (Universities and Colleges Admissions Service) জৰিয়তে আৰম্ভ হয় আৰু অক্টৌবৰ মাহৰ মাজভাগত বন্ধ হয়। আবেদন কৰোঁতে ইচ্ছুক শিক্ষাৰ্থীয়ে ৫৪টা স্নাতক পাঠ্যক্ৰমৰ পৰা তেওঁলোকে পঢ়িবলৈ আগ্ৰহ কৰা বিষয়টো বাছি লৈ নিৰ্দিষ্ট কলেজত আবেদন কৰিব লাগে। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অধীনৰ ৩৫ খন মহাবিদ্যালয়ত এইচএছচি উত্তীৰ্ণ শিক্ষাৰ্থীয়ে স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। এটা কথা মন কৰিবলগীয়া যে নামভৰ্তিৰ বাবে অক্সফৰ্ড বিশ্ববিদ্যালয়ত প্ৰত্যক্ষভাৱে আবেদন কৰিব নোৱাৰি।

বিজ্ঞানৰ কোনো বিষয়ৰ স্নাতক শাখাত নামভৰ্তি কৰিব বিচৰা শিক্ষাৰ্থীসকলে এইচএছচি বা সমতুল্য পৰীক্ষাত সংশ্লিষ্ট বিষয় লৈ উত্তীৰ্ণ হ'ব লাগিব। এই শিক্ষাগত অৰ্হতা থকাৰ উপৰি আইবি (International Baccalaureate), এছএটি (Scholastic Assessment Test) আদি আন্তঃৰাষ্ট্ৰীয় মানৰ পৰীক্ষাৰ প্ৰমাণ-পত্ৰ থকাসকলক নামভৰ্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হয়। ❖

## মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

**নিৰ্দেশনা :**

তলৰ প্ৰতিটো প্ৰশ্নত সংখ্যা বা বৰ্ণৰ একোটা শ্ৰেণী দিয়া আছে। বিকল্প উত্তৰবোৰৰ পৰা খালী ঠাইৰ বাবে উপযুক্ত পদটো নিৰ্ণয় কৰাঁ।

1. 52, 65, 78, 91, —
   a) 99　b) 104　c) 108　d) 115
2. 1, 3, 7, 15, 31, —
   a) 50　b) 52　c) 63　d) 70
3. A, K, B, L, C, M, D, —
   a) N　b) E　c) O　d) F
4. ST, QR, OP, MN, —
   a) JK　b) LM　c) IJ　d) KL
5. ZYX, XWV, VUT, —
   a) SRQ　b) TSR　c) TRS　d) SQR
6. 6, 9, 14, 21, 30, —
   a) 40　b) 41　c) 42　d) 45
7. 95, 114, 133, 152, —
   a) 171　b) 172　c) 181　d) 182
8. Z, W, S, N, —
   a) H　b) I　c) J　d) G
9. AP, ZO, YN, —
   a) BM　b) WQ　c) CL　d) XM
10. FKP, GLQ, HMR, —
   a) JOT　b) INS　c) IOT　d) KQV

**উত্তৰসমূহ :**

1) (b)　2) (c)　3) (a)　4) (d)　5) (b)　6) (b)
7) (a)　8) (a)　9) (d)　10) (b)

## মানসিক সামৰ্থ্য বিকাশ

***এই প্ৰশ্নকেইটাৰ সমাধানৰ পদ্ধতি আগতে আলোচনা কৰা হোৱা নাই।***
***সেয়েহে প্ৰশ্নকেইটাৰ সমাধানো ইয়াত সন্নিৱিষ্ট কৰা হ'ল।***

1. কেইটামান বস্তু 2, 3, 4, 5 বা 6টাকৈ থূপ কৰি যদি বাকচত ভৰোৱা হয়, তেন্তে প্ৰত্যেক ক্ষেত্ৰতে 1টাকৈ বস্তু ৰৈ যায়। কিন্তু 7টাকৈ থূপ কৰি ভৰালে এটাও বস্তু ৰৈ নাযায়। ন্যূনতম কিমানটা বস্তু থাকিব লাগিব?

   a) 61 b) 301 c) 217 d)140

**সমাধান :** 2, 3, 4, 5 আৰু 6ৰ ল.সা.গু 60 ; 60টা বস্তু 2, 3, 4, 5 বা 6টাকৈ থূপ কৰিলে কোনো ক্ষেত্ৰতে বাকী নৰয়। যিহেতু 1টা বস্তু বাকী ৰয় বুলি কোৱা হৈছে, গতিকে বস্তুৰ সংখ্যা হ'ব পাৰে 60 + 1= 61। কিন্তু 61, 7ৰে বিভাজ্য নহয়।

এতিয়া, $2 \times 60 + 1 = 121$, 7ৰে বিভাজ্য নহয়।
$3 \times 60 + 1 = 181$, 7ৰে বিভাজ্য নহয়।
$4 \times 60 + 1 = 241$, 7ৰে বিভাজ্য নহয়।
$5 \times 60 + 1 = 301$, 7ৰে বিভাজ্য।
$\therefore$ বস্তুৰ ন্যূনতম সংখ্যা = 301টা।

2. দুটা ক্ৰিকেট দল। প্ৰতিটো দলৰে 11 জনকৈ খেলুৱৈ। এটা দলৰ প্ৰতিজন খেলুৱৈয়ে আনটো দলৰ প্ৰতিজনৰ লগত হেণ্ডচেক্ কৰিলে মুঠতে কিমানটা হেণ্ডচেক্ হ'ব?

   a) 11 b) 12 c) 121 d) 110

**সমাধান :**

$11 \times 11 = 121$

$\therefore$ 121টা হেণ্ডচেক্ হ'ব।

3. এটা দলৰ 11 জন খেলুৱৈৰ প্ৰতিজনে প্ৰতিজনৰ লগত হেণ্ডচেক্ কৰিলে মুঠতে কিমানটা হেণ্ডচেক হ'ব?

   a) 55 b) 121 c) 110 d) 11

**সমাধান :**

11 জন খেলুৱৈ।

প্ৰতিজনে আন 10 জনৰ লগত হেণ্ডচেক্ কৰিব।

$11 \times 10 = 110$

কিন্তু এই হিচাপটোত দুজন খেলুৱৈ, ধৰা হ'ল A আৰু Bৰ A ই Bৰ লগত কৰা হেণ্ডচেক্ আৰু Bয়ে Aৰ লগত কৰা হেণ্ডচেক্ দুয়োটা সোমাই আছে। কিন্তু এই হেণ্ডচেক্টো যিহেতু একে দুজন খেলুৱৈৰ মাজত হৈছে, গতিকে উক্ত হেণ্ডচেক্ দুটা এটা হেণ্ডচেক্ বুলিহে ধৰিব লাগিব। গতিকে হেণ্ডচেকৰ সংখ্যা 110ৰ আধা সংখ্যক হ'ব।

$110 \div 2 = 55$

$\therefore$ হেণ্ডচেকৰ সংখ্যা = 55

# মানৱ কম্পিউটাৰ

■ ঋতুমল্লিকা গোস্বামী
দশম শ্ৰেণী

৭,৬৮৬,৩৬৯,৭৭৪,৮৭০×২,৪৬৫,০৯৯,৯৪৫,৭৭৯=?



ওপৰত উল্লেখ কৰা সমস্যাটোৰ উত্তৰ বিচাৰিবলৈ আপুনি যদি যত্ন কৰে, তেন্তে কিমান সময় ল’ব বাৰু? দুটা ১৩টা অংকবিশিষ্ট সংখ্যা পূৰণ কৰাটো কোনো মুখৰ কথা নহয়। কিন্তু মই যদি আপোনালোকক কওঁ যে এই সমস্যাটোৰ সমাধান শুদ্ধকৈ এগৰাকী মহিলাই মাত্ৰ ২৮ ছেকেণ্ডত উলিয়াইছিল, তেন্তে আপোনাৰ বিশ্বাস হ’বনে? অবিশ্বাস্য হ’লেও এয়া সত্য। এই অসাধাৰণ ক্ষমতাৰ অধিকাৰী তথা বিশ্বত মানৱ কম্পিউটাৰৰূপে পৰিচিত প্ৰথিতযশা ভাৰতীয় মহিলাগৰাকীয়েই হৈছে শকুন্তলা দেৱী।

শকুন্তলা দেৱীৰ জন্ম হৈছিল ১৯২৯ চনৰ ৪ নৱেম্বৰত কৰ্ণাটকৰ বাংগালুৰুত এটা কানাড়া ব্ৰাহ্মণ পৰিয়ালত। তেওঁৰ পিতৃৰ নাম আছিল চিভি সুন্দৰৰাজা ৰাও আৰু মাতৃৰ নাম আছিল সুন্দৰাম্মা। তেওঁৰ পিতৃয়ে চাৰ্কাছত যাদুকৰ হিচাপে কাম কৰিছিল। তেওঁ শকুন্তলাক তাছপাতৰ কৌশল শিকাই থকাৰ সময়ত শকুন্তলাৰ সংখ্যা মুখস্থ কৰাৰ এক বিশেষ ক্ষমতা আছে বুলি অনুভৱ কৰিলে। তেতিয়া শকুন্তলা দেৱীৰ বয়স আছিল প্ৰায় তিনি বছৰ। ইয়াৰ পাছত দেউতাকে নিজৰ চাৰ্কাছৰ বৃত্তি বাদ দি শকুন্তলাক ৰ’ড শ্ব’ কৰাবলৈ লৈ গৈছিল, য’ত শকুন্তলাই গণনা কৰাৰ অসাধাৰণ ক্ষমতা প্ৰদৰ্শন কৰিছিল। শকুন্তলা দেৱীৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল। তৎসত্ত্বেও তেওঁ গণিতৰ বহু জটিল সমস্যা মুখে মুখে নিৰ্ভুলভাৱে কেই ছেকেণ্ডমানৰ ভিতৰতে সমাধান কৰি দিব পাৰিছিল। ছয় বছৰ বয়সতে তেওঁ মহীশূৰ বিশ্ববিদ্যালয়ত নিজৰ গাণিতিক সামৰ্থ্য প্ৰদৰ্শন কৰে।

বেছিভাগ সময়তে শকুন্তলা দেৱীৰ গাণিতিক পাৰদৰ্শিতা দেখি মানুহ আচৰিত হৈছিল। তেওঁ দেশ-বিদেশৰ নানা অনুষ্ঠান-প্ৰতিষ্ঠানত নিজৰ গাণনিক ক্ষমতাৰে মানুহক হতবাক কৰিছিল। তেওঁ ১৯৭৭ চনত আমেৰিকাৰ দক্ষিণ মেথ’ডিষ্ট বিশ্ববিদ্যালয়ত ২০১টা অংকবিশিষ্ট সংখ্যাৰ এটাৰ ২৩তম মূল উলিয়াইছিল মাত্ৰ ৫০ ছেকেণ্ডত। ১৯৮৮ চনত তেওঁ আমেৰিকাৰ ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ত ৯৫,৪৪৩,৯৯৩ সংখ্যাটোৰ ঘনমূল উলিয়াইছিল মাত্ৰ ২ ছেকেণ্ডত। তদুপৰি তেওঁ ২,৩৭৩,৯২৭,৭০৪ সংখ্যাটোৰ ঘনমূল ১০ ছেকেণ্ডতেই গণনা কৰি উলিয়াইছিল। উল্লেখযোগ্য যে ১৯৮০ চনত শকুন্তলা দেৱীয়ে ইংলণ্ডৰ ইম্পেৰিয়েল কলেজত দুটা ১৩টা অংকবিশিষ্ট সংখ্যাৰ পূৰণফল নিৰ্ভুলভাৱে মাত্ৰ ২৮ ছেকেণ্ডত উলিয়াইছিল। যাৰ বাবে তেওঁৰ নাম ১৯৮২ চনত গিনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছত অন্তৰ্ভুক্ত হয়। তদুপৰি তেওঁৰ অতুলনীয় গাণনিক প্ৰতিভাৰ বাবে তেওঁক ‘মানৱ কম্পিউটাৰ’ বুলি অভিহিত কৰা হয়। কাৰণ তেওঁ সেই সময়ৰ অৰ্থাৎ ৯০ৰ দশকৰ অত্যাধুনিক কম্পিউটাৰবোৰতকৈও সোনকালে গণিতৰ সমস্যা সমাধান কৰিব পাৰিছিল।

শকুন্তলা দেৱীয়ে গণিতৰ নানা জটিল সমস্যাবোৰ সমাধান কৰোঁতে কেতিয়াও কাগজ-কলমৰ ব্যৱহাৰ কৰা নাছিল। তেওঁ মনৰ ভিতৰত অৰ্থাৎ মগজুতেই গণনা কৰিছিল। তেওঁৰ এই ক্ষমতাৰ কাৰণ কি বুলি এক সাক্ষাৎকাৰত সোধাত তেওঁ উত্তৰ দিছিল যে তেওঁৰ এই

সামৰ্থ্যৰ কিছু অংশ ভগৱানপ্ৰদত্ত যদিও তাৰ অধিকাংশই তেওঁৰ কঠোৰ পৰিশ্ৰমৰ ফল। ইতিমধ্যে উল্লেখ কৰা হৈছে যে তেওঁৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল, আনকি তেওঁ মেট্ৰিক পৰীক্ষাতো উত্তীৰ্ণ হোৱা নাছিল, কিন্তু তেওঁৰ গণিতৰ প্ৰতি আছিল অসীম ধাউতি। তেওঁ ইংৰাজীও ক'ব পাৰিছিল সলসলীয়াকৈ। তেওঁ বিভিন্ন সাক্ষাৎকাৰত কৈছিল যে তেওঁ গণিতৰ জটিলতকৈও জটিল সমস্যাসমূহ সমাধান কৰি যথেষ্ট আনন্দিত হৈছিল। তেওঁৰ মতে গণিত ভয় কৰা বস্তু নহয়, বৰঞ্চ ই এটা অতি আনন্দদায়ক বস্তুহে। শিক্ষাৰ্থীসকলক তেওঁ বাৰে বাৰে গণিতক ভাল পাবলৈ কৈছিল। তদুপৰি শিক্ষকসকলকো গণিতক শিক্ষাৰ্থীৰ মাজত আনন্দদায়ক কৰি তুলিবলৈ আহ্বান জনাইছিল।

শকুন্তলা দেৱী এগৰাকী সুলেখিকাও আছিল। তেওঁ গণিতৰ নানা সমস্যাৰ সমাধান আগ বঢ়োৱাৰ লগতে শিশুসকলক গণিতৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ বাবে বিভিন্ন গ্ৰন্থ ৰচনা কৰিছিল। যেনে— "Figuring The Joy of Numbers", "Puzzules To Puzzle you", "Awaken The Genius In Your Child", "Book of Number", "Wonderland of Numbers" আদি।

শকুন্তলা দেৱীয়ে তেওঁৰ গাণনিক ক্ষমতাৰ বাবে নানা পুৰস্কাৰ তথা সন্মানো লাভ কৰিবলৈ সক্ষম হয়। ১৯৮৮ চনত তেওঁ 'ৰামানুজন গাণিতিক প্ৰতিভা বঁটা', ১৯৬৯ চনত ফিলিপাইন বিশ্ববিদ্যালয়ৰ বছৰটোৰ বিশিষ্ট মহিলাৰ বঁটা আদি লাভ কৰিছিল। ১৯৮৮ চনত ভাৰতীয় কম্পিউটাৰ ছ'চাইটিয়ে তেওঁক তেওঁৰ অৱদানৰ বাবে সন্মানিত কৰে। ২০১৩ চনত লণ্ডনৰ গাণিতিক মহোৎসৱত মৰণোত্তৰভাৱে তেওঁলৈ জীৱনজোৰা সাধনা বঁটা আগ বঢ়োৱা হয়। বিশিষ্ট পৰিচালক অনু মেননে তেওঁৰ জীৱনভিত্তিক 'শকুন্তলা দেৱী' নামেৰে এখন তথ্যচিত্ৰও নিৰ্মাণ কৰি উলিয়াইছে।

অসাধাৰণ প্ৰতিভাৰ অধিকাৰী শকুন্তলা দেৱীৰ বৰ্ণিল জীৱনৰ অন্ত পৰে ২০১৩ চনৰ ২১ এপ্ৰিলত বাংগালুৰুত। হৃদযন্ত্ৰ আৰু বৃক্কৰ ৰোগত আক্ৰান্ত হৈ ৮৩ বছৰ বয়সত তেওঁ এই পৃথিৱীৰ পৰা মেলানি মাগে। ❖

# আন্দামান ভ্ৰমণ

■ **তেজাশ্ৰী দিহিঙীয়া**
নৱম শ্ৰেণী

এদিন দেউতাই হঠাতে আমাক সকলোকে আচৰিত কৰি জনালে যে আমাক আন্দামানলৈ ফুৰাবলৈ নিব। আমাৰ স্ফূৰ্তিৰ সীমা নোহোৱা হ'ল। উৰাজাহাজৰ টিকট দেখুৱাই দিয়াতহে বিশ্বাস হ'ল যে আমি সঁচাকৈ ফুৰিবলৈ যাম। আমাৰ কলিকতালৈ যোৱাৰ সময় আছিল আবেলি ৩ বাজি ৪৫ মিনিটত (৭ জুলাই, ২০১৯ চন)। আমি আবেলি ৫ বাজি ৩০ মিনিটত কলকাতা পালোঁগৈ। কলকাতা পায়েই আমি ইন'ভা গাড়ী এখন ভাৰাত লৈ প্ৰথমে গ'লোঁ ইক' পাৰ্ক (Eco Park) চাবলৈ। পাছদিনা ৮ বাজি ৩০ মিনিটত আমি হোটেলৰ পৰা ওলাই কলিকতা চাবলৈ গ'লোঁ। প্ৰথমে দক্ষিণেশ্বৰ মন্দিৰলৈ গ'লোঁ। তাত এটা আচৰিত কথা দেখিলোঁ। আমি যোৱাৰ দিনা প্ৰচণ্ড গৰম আছিল আৰু আমি খালী ভৰিৰে খোজ কাঢ়ি গৈছিলোঁ। তাত খোজ কাঢ়ি যাবৰ বাবে বগা ৰঙেৰে আঁচ টানি থোৱা আছিল। যেতিয়া সেইফালেদি গৈছিলোঁ তেতিয়া গম পালোঁ যে বগা ৰঙেৰে গ'লে ভৰিত তাপ নালাগে। দেখি মই খুব আচৰিত হৈছিলোঁ আৰু সেই কথাটো মোৰ মনত থাকি গ'ল। দক্ষিণেশ্বৰ মন্দিৰ চোৱাৰ পাছতে আমি নিক' পাৰ্ক (Neco Park) চাবলৈ গ'লোঁ। পুনৰ আহি হোটেলত ৰাতিটো কটালোঁ।



৯ জুলাই তাৰিখে ৰাতিপুৱা ৪ বজাত উঠি যাবলৈ সাজু হ'লোঁ। পুৱা ৫ বাজি ১৫ মিনিটত ফ্লাইট আছিল আন্দামানৰ ৰাজধানী প'ৰ্ট ব্লেয়াৰলৈকে। প্ৰায় ২ ঘণ্টামান লাগিল প'ৰ্ট ব্লেয়াৰ পাবলৈ। আন্দামান পোৱাৰ ঠিক আগত উৰাজাহাজৰ খিৰিকীৰে দেখিলোঁ এখন ডাঙৰ নদীৰ মাজত যেন অ'ত-ত'ত কেইবাটাও মাটিৰ সৰু সৰু ঢাপ। এনেকুৱা লাগিছিল যেন পানীৰ মাজত ওপঙি আছে। সেইদিনাই আমি প'ৰ্ট ব্লেয়াৰৰ এখন বীচ্চ (beach) চাবলৈ গ'লোঁ। নামটো আছিল 'কৰ্বিন' (Corbyn)। সঁচাকৈ দেখি অবাক হৈ গৈছিলোঁ। ইপাৰ-সিপাৰ নেদেখা কেৱল পানী আৰু পানী। জীৱনত প্ৰথমবাৰৰ বাবে সাগৰৰ ঢৌ দেখি মনটোত কিবা অদ্ভুত স্ফূৰ্তি এটাই পানীখিনি এবাৰ চুই চাবৰ বাবে টানি লৈ গৈছিল। মোৰ এতিয়াও ভাবিলে ভাল লাগি যায় আমি চাগে' ইমান ধুনীয়াকৈ ছবিও আঁকিব নোৱাৰিম—য'ত আছিল শাৰী শাৰীকৈ নাৰিকল গছ, তাৰ কাষলৈ সাগৰৰ পানীয়ে বালিত আহি আহি চুই থকাৰ মৃদু শব্দ। তাৰ পাছত গ'লোঁ কলিয়াপানী জেললৈ। এই জেলৰ প্ৰত্যেকটো কুঠৰী অৰ্থাৎ চেল (cell) অকলশৰীয়াকৈ নিৰ্মাণ কৰা হৈছিল। ইয়াত কোনো সমূহীয়া কোঠা নাছিল। আৰম্ভণিতে ইয়াত থকা কুঠৰীৰ সংখ্যা আছিল ৬৯৮টা। বৰ্তমান ইয়াত থকা কুঠৰীৰ সংখ্যা কমি ২৯৫টা হৈছেগৈ। খিৰিকীবিহীন আৰু মাত্ৰ ৩ মিটাৰ উচ্চতাৰ এই সংকীৰ্ণ কুঠৰী বা চেলত আবদ্ধ বন্দীসকলৰ ওপৰত বৃটিছ কৰ্তৃপক্ষই অকথ্য অত্যাচাৰ চলাইছিল। আমাক সকলো কথা এনেদৰে বুজাই যোৱা গাইডজনৰ পৰা গম পালোঁ যে এবাৰ এজনক নাকেৰে পাইপ ভৰাই গাখীৰ খুৱাই দিয়াত গাখীৰ হাঁওফাঁওত সোমাই তেওঁ অৱশেষত ধৰফৰাই মৃত্যুক সাবটি লৈছিল। জানি আচৰিত লাগিল যে কলিয়াপানী জেলত আমাৰ অসমৰো দুজন আন্দোলনকাৰী আছিল। গধূলি তাত হোৱা শব্দ-পোহৰৰ অনুষ্ঠানটো চাই স্বাধীনতাৰ আগৰ সেই সময়লৈ গুচি গৈছিলোঁ। কিছু সময়ৰ পাছত ৰাষ্ট্ৰীয় সংগীত বাজি উঠিছিল আৰু দেখিছিলোঁ ৰাস্তাৰে খোজ কাঢ়ি থকা মানুহ, গাড়ী-মটৰ সকলো য'তে যিদৰে আছিল তাতে ৰৈ দিছিল। পাছদিনা পুৱা প্ৰায় ৭ বাজি ৩০ মিনিটমানত আমি হেভল'ক দ্বীপলৈ (Havelock) যাবলৈ জাহাজত উঠিলোঁ। হেভল'ক গৈ পালোঁ ৯ বাজি ৩০ মিনিটত। আমি 'গ্ৰীন ভেলী ৰিজৰ্ট'ত (Green Valley Resort) থাকিলোঁ। হোটেলখনৰ পাছফালে আছিল বৰ্ণনা কৰি শেষ কৰিব নোৱৰা এটা খুব ধুনীয়া সাগৰৰ পাৰৰ দৃশ্য। কেইজোপামান নাৰিকল গছ, পানীৰ মাজে মাজে কেইটামান শিল। ইমান যে ধুনীয়া ! পাছদিনা ৰাতিপুৱা ১০ বাজি ২০ মিনিটত 'মালক' নামৰ জাহাজত নীল দ্বীপলৈ (Neil Island) গ'লোঁ। তাত আমি 'ভাৰতপুৰ' বীচ্চ আৰু সূৰ্য্য অস্ত যোৱা স্থান (Sunset point) চাবলৈ গ'লোঁ। ৰাতিপুৱা ১১ বজাত জাহাজত উঠিলোঁ পুনৰ প'ৰ্ট ব্লেয়াৰ অভিমুখে। সেইদিনা প'ৰ্ট ব্লেয়াৰত জিৰণি ল'লোঁ। ১৩ জুলাই তাৰিখে ৰাতিপুৱা ৩ বজাত উঠিলোঁ। ৪ বজাত গাড়ীৰে 'জাৰৱা' আদিবাসীসকলক চাবলৈ গ'লোঁ। সন্ধিয়া শেষবাৰৰ বাবে সাগৰখন চাবলৈ গ'লোঁ। সেইদিনা হেঁপাহ পলুৱাই ভৰ্ণি আৰু বাৰ সৈতে খেলিলোঁ। ১৪ তাৰিখে ৰাতিপুৱা ১০ বজাত উৰাজাহাজত উঠি কলিকাতা পালোঁহি ১২ বজাত। ২ বাজি ১৫ মিনিটত পুনৰ উৰাজাহাজত উঠিলোঁ আৰু প্ৰায় ৫ বজাত গুৱাহাটী পালোঁহি। ❖

# সহানুভূতি

■ ৰিণি শৰ্মা
দশম শ্ৰেণী



ব্যস্ত মহানগৰীৰ যান্ত্ৰিক জীৱন। এক ছেকেণ্ডো যেন স্বস্তিৰ নিশ্বাস এৰিবলৈ কাৰো সময় নাই। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা আদি কৰি অফিচৰ কৰ্মচাৰী পৰ্য্যন্ত মানৰ সমাজৰ এই ব্যস্ততা দেখি তাইৰ মূৰটো কেতিয়াবা আচন্দ্ৰাই কৰে। যিমানেই জনসংখ্যা বাঢ়িছে, সিমানেই মানুহবোৰ অকলশৰীয়া হৈ পৰিছে। নহ'বনো কিয়, এই পৃথিৱীত কোনেনো আনৰ কথা ভাবি মূৰ ঘমায়?

এই পৃথিৱীৰ ব্যস্ততাৰ কথা ভাবি থাকোঁতে অনুভৰী কেতিয়া ঘৰ গৈ পালে গমেই নাপালে। অনুভৰী কেইদিনমানৰ আগতেই 'নেট' (NET) পৰীক্ষাত উত্তীৰ্ণ হৈছে। কোনো কলেজৰ পৰা ইণ্টাৰভিউৰ খবৰ আহিলেই তাই সফল হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰাৰ প্ৰয়োজন আহি পৰিছে। আনৰ কথা ভাবিবলৈ অনুভৰীৰো তিলমানো সময় নাই। কিন্তু... স্পৰ্শকাতৰ অনুভৰীৰ মনত কিছু কথাই প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰা নহয়। শিক্ষা জীৱনটো শেষ হোৱাৰ পথত। তাইৰ অন্তৰংগ বন্ধু-বান্ধৱী, কলেজৰ অধ্যাপকসকল, আৰু... ৰফিকুল খুৰা? তেওঁলোকক জানো আকৌ সেই একেই অৱস্থাত লগ পাব?

দিনবোৰ তেনেদৰেই বাগৰি গৈছে। অনুভৰীয়ে নিজকে আগন্তুক দিনবোৰৰ বাবে মানসিকভাৱে প্ৰস্তুত কৰি লৈছে। কেইদিনমানৰ পাছত এখন কলেজৰ পৰা ইণ্টাৰভিউৰ খবৰ আহিল। অনুভৰীয়েও মনত অদম্য হেঁপাহ আৰু আত্মবিশ্বাস লৈ ইণ্টাৰভিউ দিবলৈ ওলাল। এই দিনটোৰ বাবেইতো তাই আগ্ৰহেৰে বাট চাই আছিল। এদিন তায়ো কলেজৰ অধ্যাপিকা হ'ব আৰু জ্ঞানৰ জ্যোতিৰে উজলাই তুলিব কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ মানসপট।

"অনু ! সকলো বস্তু বেগত ভৰালিনে? চাবি আকৌ, একো যাতে পাহৰি নাযাৰ।"

"অ' মা ! ভৰালোঁ।" এইবুলি কৈ অনুভৰীয়ে মাকৰ ভৰি চুই সেৱা লৈ উজ্জ্বল দুটি নয়নেৰে সৈতে কলেজলৈ বুলি ওলাই গ'ল। কিন্তু তাইৰ দুচকুৰ জ্যোতিখিনিক এটুকুৰা কলীয়া মেঘে আবৰি ধৰিলে। তাই ৰাস্তাত খোজ কাঢ়ি থকা সময়তে এজাক দবাপিটা বৰষুণ আহিল। তাই ডাঙৰ গছ এজোপাৰ তলতে ৰৈ থাকিল। ছেহ ! অট' এখন ভাৰা কৰিবৰো নহ'ল তাইৰ। এতিয়াতো খালী অট' বা ৰিক্সা পোৱাটো মস্কিলেই হ'ব। ইফালে সময় উৰি গৈ আছে। ঠিক সময়ত যদি কলেজ গৈ নাপায় ! তেনেতে এক দৃশ্যই অনুভৰীৰ দৃষ্টি আকৰ্ষণ কৰিলে। এজন ৰিক্সাচালক কোবাকুবিকৈ তাইৰ ফালে আগ বাঢ়ি আহিছে। তেওঁ একেবাৰে তাইৰ কাষ পোৱাতহে ধৰিব পাৰিলে, আৰে ! এয়াচোন ৰফিকুল খুৰা। অনুভৰীয়ে প্ৰায় চিঞৰি উঠিল—"খুৰা !" খুৰাই হাঁহি এটা মাৰি ক'লে—"সেই মহিলাগৰাকীক বজাৰলৈ লৈ গৈছিলোঁ। তেওঁক নমাই ঘৰলৈ ভাত খাবৰ বাবে যাবলৈ লওঁতেই তোক দেখা পালোঁ। তাৰ পাছতহে তোৰ ইণ্টাৰভিউৰ কথা মনত পৰিল। উঠ !" মই আৰু একো নক'লোঁ। ক'বলৈ মোৰ ভাষা নোহোৱা হৈ গৈছিল। লাভ-লোকচানৰ প্ৰতিটো ক্ষণতে হিচাপ ৰখা স্বাৰ্থপৰ পৃথিৱীখনত ইমান নিকা অন্তৰৰ মানুহো থাকে? ৰফিকুল খুৰাৰতো উচ্চ শিক্ষা, এসোপামান ডিগ্ৰী নাই... তেওঁক জানো কোনোবাই শিকাইছিল মানৱতা আৰু সহানুভূতিৰ পাঠ? ❖

# চিকিৎসকৰ দিনলিপি

■ **কৃষ্টিনা বৰ্মন**
দশম শ্ৰেণী



চেম্বাৰত ৰোগী চাই আছিলোঁ। এজন ৰোগী ওলাই যোৱাৰ পাছত আনজন ৰোগী সোমাই আহিল। পিন্ধনত শুধ বগা ধুতি আৰু পাঞ্জাবী। চুলিখিনি দীঘল। ভকতীয়া ষ্টাইলত ৰখা চুলিখিনিৰে মানুহজনক সাত্ত্বিক সাত্ত্বিক যেন লাগিল। সন্মুখৰ চকীখনত বহাৰ পাছত মই অসুবিধাৰ কথা সুধিলোঁ। তেওঁ ক'লে—দুচকুৰে হেনো ধোঁৱা ধোঁৱা দেখে। বস্তুবোৰ স্পষ্টকৈ দেখা নাপায়। এইবাৰ মই পৰীক্ষা কৰা যন্ত্ৰত তেওঁৰ দুচকু পৰীক্ষা কৰিলোঁ। তেখেতৰ দুয়োটা চকুতেই কেটেৰেক্ট বা অসমীয়াত ছানি পৰা ৰোগ হৈছে। পৰীক্ষা কৰা হোৱাৰ পাছত আকৌ উঠি আহি মোৰ সন্মুখৰ চকী দুখনৰ এখনত তেওঁ বহিল। মই আৰম্ভ কৰিলোঁ—

: আপোনাৰ চকু দুটাত ছানি পৰিছে। কোনো ঔষধ-মলম বা চছমাৰ দ্বাৰা এই ছানি পৰা ৰোগটো আঁতৰ কৰিব পৰা নাযায়। তাৰ একমাত্ৰ চিকিৎসা হ'ল অস্ত্ৰোপচাৰ। অস্ত্ৰোপচাৰ কৰিলেই আপুনি ভালদৰে দেখা পাব।

মানুহজন কিছু সময় মৌন হৈ ৰ'ল। এইবাৰ লাহে লাহে মোৰ পিনে চাই সুধিলে—

: আপোনাক প্ৰফেছাৰ হাজৰিকাই এজন ৰোগীৰ কথা কৈছিল নেকি বাৰু?

দুখীয়া ৰোগী এজনক সহায় কৰিবলৈ অধ্যাপক হাজৰিকাই মোৰ অনুৰোধ কৰি থৈছিল। মই ৰোগীজনৰ পিনে চাই ক'লোঁ—

: অ' হয় হয়, হাজৰিকা ছাৰে আপোনাৰ কথা কৈ থৈছে। ঠিক আছে, আপোনাৰ অস্ত্ৰোপচাৰ আমি বাৰু বিনামূলীয়াকৈ কৰি দিম। বিভিন্ন সামাজিক অনুষ্ঠানৰ সহযোগত আমি বহু ৰোগীৰ অস্ত্ৰোপচাৰ বিনামূলীয়াকৈ কৰি থাকোঁ। আপোনাৰ ক্ষেত্ৰতো আমি এইখিনিয়ে সহায় কৰি দিম।

: পাছে আপোনালোকে কেনে ধৰণৰ ৰোগীৰ প্ৰতি এনেকুৱা সহায় আগ বঢ়ায়?

: আমি কেৱল দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৰোগীসকলৰ প্ৰতিহে এই সহায় আগ বঢ়াওঁ। আপুনি যদি দৰিদ্ৰ সীমাৰেখাৰ তলৰ হয়, তেন্তে এই বিনামূলীয়া সুবিধা আপুনিও পাব।

: সেই কথা কেনেদৰে প্ৰমাণ হ'ব? অৰ্থাৎ মই কি প্ৰমাণ দিব লাগিব?

: প্ৰমাণ মানে আমি তিনিটকীয়া চাউলৰ কাৰ্ড, গাঁওবুঢ়াৰ চাৰ্টিফিকেট বা মৌজাদাৰৰ ইনকাম চাৰ্টিফিকেট বিচাৰোঁ।

কিছু সময় ব্যক্তিজন তলমূৰকৈ ৰ'ল। কোঠাটোত নীৰৱতা। সেই নীৰৱতা ভাঙি মানুহজনে এইবাৰ বহাৰ পৰা উঠিল। মোৰ ফালে চাই দুহাত কপালৰ ওপৰলৈ উঠাই নমস্কাৰ জনালে। এইবাৰ লাহে লাহে ক'লে—"ছাৰ সেইটো হয়, মই দুখীয়া, মোৰ খোৱা-পিন্ধাৰ বহুত অভাৱ। কিন্তু মই চৰকাৰৰ দৃষ্টিত দুখীয়া নহয়। মোৰ এই দৰিদ্ৰ অৱস্থাৰ কথা চৰকাৰৰ আজিলৈকে চকুতেই নপৰিল। একো চৰকাৰী আঁচনিৰ সুবিধা মই পোৱা নাই। মই আপোনাক দৰিদ্ৰতাৰ প্ৰমাণ দিবলৈ অপাৰগ।

মই ক'লোঁ—"আপুনি একো চিন্তা নকৰিব। মই মোৰ ফালৰ পৰা যিখিনি পাৰোঁ সহায় কৰি দিম।" মই দিয়া নিদান পত্ৰখন লৈ ৰোগীজন লাহে লাহে মোৰ কোঠাটোৰ পৰা ওলাই গ'ল। মোৰ কাণত কিন্তু তেওঁৰ কথাখিনি বাজি থাকিল।❖

# Value of Time

■ **Deeshru Rudranee**
Class VIII

There is a popular saying that time and tide wait for none. Yes, time is the most powerful thing in the world. Time is so precious that we have to utilise it in a proper way or manner. Time is finite and moving on. Once it is gone means gone forever. To recover or getting back it is not possible. Therefore we, especially the students should use the time wisely. We have to give quality time to ourselves to build our career. We can't be punctual and disciplined without knowing the exact value of time. Time is not only the calculation of timing, but also a genuine guidance to value and nurture things with care and caution.

Time controls everything in our life. Time is always unpredictable. We live in the present. This present is time. What will happen in the very next moment nobody knows it, even none can predict it. Since time is the main factor which controls and determines everything in its way. All human beings are bound to accept all the consequences that are fixed by the time.

There are different kinds of time. There are–

A) survival time.
B) working time.
C) self-care time.
D) leisure time
E) reflection time.

The survival time is basically concerned for the fulfilment of our basic needs such as food, cloth, shelter etc. The working time is mainly focused on value oriented activities such as profession, extra-curricular activities etc. Self-care time is utilized by people for their own purpose such as taking care of our health, appearance, etc. Leisure time is always important for human being. It is the time from where we can get different kinds of enjoyment from different activities. Reflection time is concerned for the thinking and nurturing of our emotions, feelings etc.

To define time is not an easy task. Most commonly, the difference, by which how much later or earlier an event takes place to the another can be defined as time. For example, a boy is ten years old means that, the difference between his birth and today is ten years.

The scientific study of time is known as Horology. It studies the measurement of time and the making of clocks.

Regularity, unchangingness, consistency are the main features of time. Time is ongoing. It is a never ending process.

So, we have to give due value to the time. Life is short. Life and time are intermingled to each other. Success of life can be achieved from the proper utilization of time. Students should respect the value of time. If we value time, time will surely give us the best result. ❖

# মা

■ **ধানিসা বৰ্মন**
সপ্তম শ্ৰেণী

মা শব্দটো
মুখৰ পৰা ওলাল
আস ! কিযে সুন্দৰ অনুভৱ,
মা, মোৰ মৰমৰ মা
তুমি যে কষ্ট সহিষ্ণুতাৰ দেৱী।
ল'ৰা-ছোৱালীৰ মনৰ ভাব
তুমি ভালদৰে বুজি পোৱা
মা তোমাৰ দহখন হাত নেকি?
তুমি যে ইমানবোৰ কাম কৰা।
বিবাদৰ সময়ত মা তুমি
ঢাল হৈ সন্তানক ৰক্ষা কৰা,
বিপদকনো তুমি
ক'লৈ পঠিয়াই দিয়া?
দুখৰ সময়ত সঁহাৰি দিয়া
সুখৰ সময়ত বন্ধু,
মা তুমি আমাৰ জীৱন বাটৰ
পথ-প্ৰদৰ্শক,
ভগৱানৰ সমান তোমাক
পূজোঁ, কৰিবা আশীৰ্বাদ ❖

# বেলি

■ **বৰ্ণালী বৰা**
পঞ্চম শ্ৰেণী

অ' বেলি অ' বেলি
মৰমৰ ৰ'দালি
পূবেদি ওলালি
পশ্চিমত লুকালি।
ৰাংঢালী ৰাঙলী তই
হাঁহিমুখী ৰ'দালি,
তই ওলালেই জোনটি লুকায়
চাৰিওদিশ তোৰ পোহৰে জিক্‌মিকায়। ❖

# সময়

■ **নিচান প্ৰতীম ভৰদ্বাজ**
সপ্তম শ্ৰেণী

সময় অতি গতিশীল,
অবাবত নকৰিবা ব্যয়।
সময়ৰ কাম সময়ত নকৰিলে,
নিজৰেই হয় ক্ষয়।
নৈ সোঁতৰ স'তে তুলনা কৰি
জ্ঞানীসকলে কয়,
সময়ৰ লগত খোজ দিলেহে
জীৱন সাৰ্থক হয়।
সময়ৰ সদব্যৱহাৰ তুমি
নিজে কৰি যাবা,
তেহে তুমি জীৱনত
ভাল ফল পাবা। ❖

# তুমি জ্যোতিষ্মান

■ **ৰাজশ্ৰী ভট্ট**
ষষ্ঠ শ্ৰেণী

হে চিৰ আৰাধ্য সুধাকণ্ঠ
অসমৰ আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ
তুমি বিশ্ববিশ্ৰুত,
তোমাৰ সুৰেৰে তোমাৰ গানেৰে
তুমি মহিমামণ্ডিত।
হে মহান সংগীত সূৰ্য্য
তুমি আজি অস্তমিত।
শৈশৱ কৈশোৰ যৌৱন ভৰা
তোমাৰ গানতেই বৰ্তমান,
তোমাৰ শব্দতেই প্ৰতিধ্বনি হয়
জন্ম মৃত্যু, প্ৰেম ভালপোৱা
হা-হুতাহ আৰু জীৱনৰ জয়গান। ❖

নিবন্ধ

# শ্ৰম, শ্ৰমিক আৰু শ্ৰমিক দিৱস

■ অপৰ্ণা দেৱী



সাধাৰণ অৰ্থত মানুহৰ শাৰীৰিক পৰিশ্ৰম বা কষ্টকে শ্ৰম বোলা হয়। অৰ্থনৈতিক দৃষ্টিকোণেৰে চাবলৈ গ'লে মানুহৰ শাৰীৰিক পৰিশ্ৰমৰ লগত মানসিক পৰিশ্ৰমৰ দিশটোও জড়িত হৈ থাকে। বিশ্ব সভ্যতাৰ ক্ৰমবিকাশত শ্ৰম হৈছে এক গুৰুত্বপূৰ্ণ উপাদান।

মানুহৰ লগত শ্ৰম জড়িত হৈ থাকে আৰু শ্ৰমৰ লগতো মানুহ জড়িত হৈ থাকে। অৰ্থাৎ শ্ৰমৰ পৰা মানুহক যিদৰে পৃথক কৰিব নোৱাৰি, মানুহৰ পৰাও শ্ৰমক পৃথক কৰিব নোৱাৰি। খাদ্য, বস্ত্ৰ, বাসস্থানকে ধৰি মানুহৰ বিভিন্ন প্ৰয়োজন থাকে। সেই প্ৰয়োজনসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত মানুহে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হয়। যেতিয়াই মানুহে নিজৰ মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ আগ বাঢ়ে, তেতিয়াই মানুহে প্ৰকৃতিৰ সংস্পৰ্শলৈ আহিবলগীয়া হয়। প্ৰকৃতিত উপলব্ধ কেঁচা সামগ্ৰীৰ (raw material) সহায়ত মানুহে শ্ৰমদানৰ জৰিয়তে নিজৰ প্ৰয়োজনসমূহ পূৰণ কৰিব পাৰে। শ্ৰমদান কৰোঁতাজনেই হ'ল শ্ৰমিক। শাৰীৰিক শ্ৰমদান কৰাগৰাকী যিদৰে শ্ৰমিক, মানসিক শ্ৰমদান কৰাগৰাকীও শ্ৰমিক। যিকোনো শ্ৰমদান প্ৰক্ৰিয়াত মানুহে নিজৰ শক্তি ব্যৱহাৰ কৰিবলগীয়া হয়।

আমাৰ সমাজ ব্যৱস্থাত শ্ৰম তথা শ্ৰমিক এক অপৰিহাৰ্য্য উপাদান। শ্ৰম হৈছে এক ধৰণৰ সেৱা (service)। এগৰাকী শ্ৰমিকে দিনটোত কিমান সময়ৰ বাবে সেৱা আগ বঢ়াব সেই সেৱাৰ সময় নিৰ্ধাৰিত হোৱা নাছিল। ১৮৮৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত সংগঠিত ট্ৰেড লেবাৰ ইউনিয়ন ফেডাৰেছনে তেওঁলোকৰ চতুৰ্থ সন্মিলনত প্ৰস্তাৱ গ্ৰহণ কৰিলে যে ১৮৮৬ চনৰ ১ মে'ৰ পৰা শ্ৰমিকসকলে দৈনিক আঠ ঘণ্টাহে সেৱা আগ বঢ়াব। তাৰ আগলৈ ইউৰোপ আৰু আমেৰিকাত কাৰখানাৰ মালিকসকলে শ্ৰমিকসকলক ওঠৰ-বিছ ঘণ্টা পৰ্য্যন্ত কাম কৰিবলৈ বাধ্য কৰাইছিল। কিন্তু শ্ৰমিকসকলে সেই শ্ৰমৰ বিনিময়ত অতি কম পৰিমাণৰ পাৰিশ্ৰমিক বা মজুৰি (wages) লাভ কৰিছিল। কোনোবা শ্ৰমিকে যদি বেছি কাম কৰি সেই অনুপাতে পাৰিশ্ৰমিক বা মজুৰি দাবী কৰিছিল, সেই শ্ৰমিকসকল শাস্তিৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। সেয়েহে শ্ৰমিকসকলে বাধ্য হৈ প্ৰতিবাদ নকৰাকৈ নিজৰ নিজৰ দায়িত্বসমূহ পালন কৰি গৈছিল। কিন্তু ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা প্ৰাপ্য মজুৰিৰ বাবে প্ৰতিবাদ সাব্যস্ত কৰা শ্ৰমিকসকল একগোট হোৱাৰ সুবিধা লাভ কৰিলে। শ্ৰমিকসকলে কিছুমান সংগঠন গঠন কৰিবলৈ মিলিত হ'ল। সময় বাগৰিল। ১৮৬৪ চনত আন্তৰ্জাতিকভাৱে স্বীকৃত শ্ৰমিক সংস্থাৰ জন্ম হ'ল। তেতিয়াৰ পৰা সমগ্ৰ বিশ্বৰ শ্ৰমিকসকলৰ সুবিধা-অসুবিধা মুকলিকৈ আলোচনা কৰাৰ এটা প্ৰক্ৰিয়া আৰম্ভ হ'ল।

১৮৮৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত সংগঠিত হ'ল ট্ৰেড লেবাৰ ইউনিয়ন ফেডাৰেছন। তেওঁলোকে কেইবাখনো বৈঠক অনুষ্ঠিত কৰিলে। সেই বৈঠকৰ চতুৰ্থ বৈঠকখনত এটি গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। সেই প্ৰস্তাৱটো হ'ল—শ্ৰমিকসকলে দৈনিক আঠ ঘণ্টাহে সেৱা আগ বঢ়াব আৰু দিনটোৰ বাকী থকা সময়খিনি নিজৰ ইচ্ছা আৰু সুবিধা অনুযায়ী উপভোগ

কৰিব পাৰিব। সেই প্ৰস্তাৱটো লৈ শ্ৰমিকসকলে ধৰ্মঘট আৰম্ভ কৰিলে। ১৮৮৬ চনৰ ১ মে' তাৰিখে চিকাগোত প্ৰায় পাঁচ লাখ শ্ৰমিকৰ উপস্থিতিত অনুষ্ঠিত হোৱা ধৰ্মঘটত 'কামৰ সময় আঠ ঘণ্টা' শ্ল'গান কাৰ্য্যকৰী কৰাৰ বাবে সজোৰে দাবী উত্থাপন কৰা হয়। পুঁজিপতিসকলে সেই ধৰ্মঘট নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীৰ হতুৱাই অত্যাচাৰ চলায়। আৰক্ষীৰ আক্ৰমণত ৬ জন শ্ৰমিক নিহত হয়। শ্ৰমিকসকলৰ মৃত্যুৰ ঘটনাৰ প্ৰতিবাদত চিকাগো চহৰৰ 'হেমাৰ্কেট স্কোৱাৰ'ত (Haymarket square) এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। তাৰ পাছত শ্ৰমিকসকলৰ দ্বিতীয় আন্তৰ্জাতিক সন্মিলন পেৰিছত অনুষ্ঠিত হয়। সেই সন্মিলনত চিকাগো চহৰত সংঘটিত হোৱা ধৰ্মঘটত শ্বহীদ হোৱা শ্ৰমিকসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। পেৰিছৰ সন্মিলনত সমবেত হোৱা শ্ৰমিকসকলে এক যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্তটো হ'ল—প্ৰত্যেকবছৰে ১ মে' তাৰিখটো আন্তৰ্জাতিক শ্ৰমিক দিৱস হিচাপে সমগ্ৰ বিশ্বত পালন কৰা হ'ব। সেয়া ১৮৯০ চনৰ কথা। তেতিয়াৰ পৰাই প্ৰতি বছৰ ১ মে' তাৰিখটো আন্তৰ্জাতিক শ্ৰমিক দিৱস হিচাপে পালন কৰা হয়। শ্ৰমিক দিৱসটোক মে' দিৱস হিচাপেও জনা যায়। ❖



# বিদ্যুতৰ অপচয় : ফেণ্টম বিদ্যুৎ

■ বনালী বৰুৱা কাশ্যপ



একবিংশ শতিকা বিজ্ঞান প্ৰযুক্তিৰ যুগ। এই সময়ত আমাৰ জীৱন প্ৰায় সকলো ক্ষেত্ৰতে বৈদ্যুতিক সঁজুলিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে। স্মাৰ্টফোনৰ পৰা স্মাৰ্ট হোমলৈকে প্ৰায় সকলো ঠাইতে বিদ্যুতৰ ব্যৱহাৰ অপৰিহাৰ্য্য। ইলেকট্ৰনিক সঁজুলিবোৰৰ পৰা আমাৰ বহুত সুবিধা হৈছে। এই সুবিধাবোৰৰ মাজতে লুকাই আছে এটা পৰিঘটনা। ইয়াক 'ফেণ্টম বিদ্যুৎ' (phantom electricity) বা 'ষ্টেণ্ডবাই পাৱাৰ' (stand by power) বা 'ভেম্পায়াৰ শক্তি' (vampire power) বুলি জনা যায়।

ফেণ্টম বিদ্যুৎ হৈছে ইলেকট্ৰনিক সঁজুলিবোৰ যেতিয়া বন্ধ বা ষ্টেণ্ডবাই অৱস্থাত বৈদ্যুতিক শক্তি উৎসৰ লগত সংযুক্ত হৈ থাকে, সেই অৱস্থাত ব্যৱহাৰ হোৱা শক্তি। ষ্টেণ্ডবাই অৱস্থা মানে যিটো অৱস্থাত সুঁজলি এটাৰ মুখ্য কামটো বন্ধ হৈ থাকে আৰু এটা নিম্ন শক্তিৰ স্থিতিত থাকে কিন্তু সঁজুলিটো কাৰ্য্যক্ষম হৈ থাকে আৰু নিম্নতম শক্তি ব্যৱহাৰ কৰে। ষ্টেণ্ডবাই অৱস্থাত থাকোঁতে সঁজুলিবোৰ নিষ্ক্ৰিয় যেন লাগে, যদিও প্ৰকৃততে এই সঁজুলিবোৰে বৈদ্যুতিক উৎসৰ পৰা সামান্য পৰিমাণৰ শক্তি আহৰণ কৰা প্ৰক্ৰিয়া অব্যাহত ৰাখে। প্ৰতিটো সঁজুলিয়ে অকলশৰীয়াকৈ আহৰণ কৰা শক্তি সামান্য হ'লেও গোটেই পৰিয়াল এটাত ব্যৱহাৰ হোৱা আটাইবোৰ সঁজুলিৰ মুঠ ব্যৱহাৰ হোৱা শক্তি আৰু উদ্যোগবোৰত একত্ৰিত প্ৰভাৱ যথেষ্ট হ'ব পাৰে। ই শক্তিৰ অপচয়, বিদ্যুতৰ বিল আৰু পাৰিপাৰ্শ্বিকতাতো প্ৰভাৱ যোগায়।

ফেণ্টম বিদ্যুতৰ উৎস সঁজুলিবোৰৰ ভিতৰত আছে বিভিন্ন আধুনিক ইলেকট্ৰনিক সঁজুলি, যেনে— টেলিভিছন, কম্পিউটাৰ, চাৰ্জাৰ, প্ৰিণ্টাৰ, কফি তৈয়াৰ কৰা মেচিন, মাইক্ৰ'ৱেভ, অ'ভেন ইত্যাদি। যিবোৰ সঁজুলি ব্যৱহাৰ হৈ নথকা সময়তো প্লাগ ইন (plug in) হৈ থাকে, এই সঁজুলিবোৰ প্ৰায়ে ষ্টেণ্ডবাই অৱস্থাত (mode) থাকে আৰু শক্তি উৎসৰ লগত সংযোজিত কৰি ৰখা হয়, যাতে ৰিম'ট কণ্ট্ৰ'লৰ সহায়ত সহজে সক্ৰিয় কৰিব পাৰি। ইয়াৰ ফলত নিৰন্তৰ কম পৰিমাণৰ বিদ্যুৎ ব্যৱহাৰ হৈ থাকে আৰু শক্তিৰ ব্যয় হয়।

এটা সচৰাচৰ ব্যৱহাৰ হোৱা উল্লেখযোগ্য ফেণ্টম বিদ্যুতৰ উদাহৰণ হ'ল পাৱাৰ এডাপটাৰ বা চাৰ্জাৰ। সাধাৰণতে দেখা যায় যে ম'বাইল ফোন বা লেপটপ এটা সম্পূৰ্ণৰূপে চাৰ্জ হৈ যোৱাৰ পাছতো চাৰ্জাৰত লাগি থাকে আৰু প্লাগৰ ছুইচটো অন (switch on) হৈ থাকে। ফলত চাৰ্জাৰবোৰে উৎসৰ পৰা শক্তি আহৰণ অব্যাহত ৰাখে আৰু শক্তি অপচয়ত অৰিহণা যোগায়। বিভিন্ন অধ্যয়নৰ ফলাফলত দেখা গৈছে যে চাৰ্জাৰৰ ক্ষেত্ৰত একত্ৰিত ষ্টেণ্ডবাই পাৱাৰৰ ব্যৱহাৰ যথেষ্ট বেছি। এই সমস্যা সমাধানৰ বাবে চাৰ্জাৰবোৰ ব্যৱহাৰ নহ'লে প্লাগৰ পৰা আঁতৰাই ৰাখি বা ছুইচ অফ কৰি ফেণ্টম বিদ্যুৎ হ্ৰাস কৰা এটা সৰল তথা কাৰ্য্যকৰী উপায়।

ব্যৱসায়ৰ ক্ষেত্ৰতো ফেণ্টম বিদ্যুতৰ সমস্যা সমানে পৰিলক্ষিত হয়। কম্পিউটাৰ, প্ৰিণ্টাৰ আৰু অন্যান্য ইলেকট্ৰনিক সামগ্ৰীৰে পৰিপূৰ্ণ হৈ থকা কাৰ্য্যালয়বোৰতো নিৰন্তৰ ষ্টেণ্ডবাই পাৱাৰৰ ব্যৱহাৰ হৈ থাকে। তদুপৰি ক্লাউড সেৱাৰ (cloud service) বৰ্ধিত নিৰ্ভৰশীলতাৰ বাবেও ছাৰ্ভাৰ আৰু ডাটা চেণ্টাৰবোৰ অনবৰতে কাৰ্য্যক্ষম হৈ থাকিব লগা হয়। ফলত ফেণ্টম বিদ্যুতৰ ব্যৱহাৰ হয়।

ফেণ্টম বিদ্যুতৰ পাৰিপাৰ্শ্বিক আৰু অৰ্থনৈতিক প্ৰভাৱ যথেষ্ট। অতিৰিক্তভাৱে অনাৱশ্যকত খৰচ হোৱা বিদ্যুৎ শক্তি উৎপাদনৰ বাবে অধিক জীৱাশ্ম ইন্ধন জ্বলাব লগা হয়, ইয়াৰ ফলত গ্ৰীন হাউছ গেছৰ নিৰ্গমন বৃদ্ধি হয় আৰু জলবায়ুত প্ৰভাৱ পৰে।

আন্তৰ্জাতিক শক্তি সংস্থাই অনুমান কৰিছে যে ষ্টেণ্ডবাই শক্তিৰ বাবে ঘৰ এখনত ব্যৱহৃত বিদ্যুতৰ ১০%লৈকে অপচয় হ'ব পাৰে। এই শক্তিৰ ব্যৱহাৰে কেৱল ব্যক্তিগত গ্ৰাহকসকলকেই প্ৰভাৱিত নকৰে, বিদ্যুতৰ অপচয়ৰ ফলত অধিক বিদ্যুৎ উৎপাদন কৰিবলগীয়া হোৱাৰ ফলত শক্তিৰ আন্তঃগাঁথনিৰ ওপৰতো প্ৰভাৱ পেলায়। এই সমস্যা সমধান কৰিবলৈ ফেণ্টম বিদ্যুতৰ উৎসবোৰ বুজি লোৱা আৰু ইয়াৰ প্ৰভাৱ হ্ৰাস কৰাৰ বাবে উপায় বিচাৰি উলিওৱাটো অতি প্ৰয়োজনীয়।

শেহতীয়া বছৰবোৰত ফেণ্টম বিদ্যুতৰ বিষয়ে সজাগতা বৃদ্ধি পাইছে, ফলত ইলেকট্ৰনিক সঁজুলি নিৰ্মাতাসকলে অধিক শক্তিদক্ষ সঁজুলি নিৰ্মাণ কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে।

বৰ্তমান সময়ত বিভিন্ন দেশৰ চৰকাৰ আৰু বহুতো সংগঠনে শক্তিৰ অপচয় হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব দিছে। ফেণ্টম বিদ্যুতৰ সজাগতা বৃদ্ধিয়ে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ❖


## কুইজৰ উত্তৰসমূহ

১। কেৰালা ২। কাৰ্ব্বৰ। Cursor ৩। ন'বেল বঁটা ৪। চেক গণৰাজ্য ৫। মনোমতী ৬। এপিজে আব্দুল কালাম ৭। ব্ৰেণ্ডন মেককুলাম ৮। ভাৰতৰ প্ৰথম কৃত্ৰিম বুদ্ধিমত্তাৰ (AI) ৰ শিক্ষক ৯। হলীৰাম ডেকা ১০। কুমাৰ চানু ১১। নেছলে ১২। ড° নিৰ্মলপ্ৰভা বৰদলৈ ১৩। নামৰূপ ১৪। জেভলিন থ্ৰ' ১৫। উত্তৰ প্ৰদেশ ১৬। কাগজ কে ফুল ১৭। Voter verified paper audit trail ১৮। এলিচ পেৰী (অষ্ট্ৰেলিয়া) ১৯। দুলাল ৰয় ❖

# The Adventures of Huckleberry Finn

■ **Pallavi Dutta**

*Mark Twain, was the pen name of Samuel Langhorne Clemens. Twain was born on November 30, 1835, in Florida, Missouri, United States. He grew up in Hannibal, Missouri, which later served as the inspiration for the fictional town of St. Petersburg in his novels "The Adventures of Tom Sawyer" and "The Adventures of Huckleberry Finn." An iconic American writer, humourist, and lecturer, Mark Twain was renowned for his wit, satire, and keen observations of American society. Besides his above-mentioned novels, his other important works include: "The Prince and the Pauper" (1881), "A Connecticut Yankee in King Arthur's Court" (1889), "The Celebrated Jumping Frog of Calaveras County" (1865), etc.*




*Widely regarded as one of the greatest American novels, "Huckleberry Finn" follows the adventure of a young boy named Huck Finn as he travels down the Mississippi River with a runaway slave named Jim. The novel features several key characters:* ***Huckleberry Finn:*** *The protagonist of the novel, referred to as Huck is a young boy who takes on a journey down the Mississippi River to escape his abusive father and societal constraints.* ***Jim:*** *A runaway slave who joins Huck on his journey. He is also a central figure in the novel. Jim remains loyal to Huck in spite of facing constant threat of capture and return to slavery and serves as a father figure to him.* ***Tom Sawyer:*** *Huck's naughty and imaginative friend.* ***Pap Finn:*** *Huck's abusive and alcoholic father from whom he desperately wants to escape.* ***Widow Douglas and Miss Watson:*** *The two elderly sisters who take Huck in an attempt to civilize him. Though they have good intentions, their attempts to teach him moral values are often misguided and hypocritical.* ***Judge Thatcher:*** *He is the local judge who plays an important role in the story, especially in matters related to Huck's legal guardianship and financial affairs.*

The story begins with Huck explaining that he is living with Widow Douglas, who has taken him in and tries to civilize him. He describes his discomfort with the Widow's attempts to improve him and his longing for the freedom of his previous life. Huck also mentions his father, Pap, who is abusive and has recently returned to town. Pap wants the custody of Huck and is determined to get it, despite his neglectful and harmful behaviour towards his son.

The conflict between Huck's desire for freedom and his societal obligations, as well as the tension between him and his father, is evident from the very beginning. Huck describes his father as abusive, neglectful, irresponsible and racist. His situation worsens as Pap's presence becomes increasingly oppressive. *(Contd.)* ❖

## Did You Know

# GI Tag

**■ Jita Gogoi**

The Geographical Indication (GI) tag is a stamp of authenticity and quality assurance bestowed upon products that possess unique qualities or characteristics attributable to their geographical origin. It serves as a form of intellectual property protection, safeguarding traditional knowledge and cultural heritage associated with specific regions. When a product receives a GI tag, it signifies that it originates from a particular geographical area, possesses distinct qualities or reputation attributable to that location, and adheres to traditional production methods or standards. This recognition not only enhances the market value of the product but also promotes rural economies by encouraging sustainable agricultural practices. It also preserves local traditions. Examples of products with GI tags include Alphonso mangoes, and Kanchipuram silk sarees in India, Parmigiano-Reggiano cheese in Italy. The GI tag not only serves as a mark of authenticity but also fosters a sense of pride and identity among producers and consumers alike, celebrating the rich diversity of our world's cultural and natural heritage.The first product in India to receive a Geographical Indication (GI) tag was Darjeeling tea. It received the GI tag in 2004. Recently on March 4, 2024 Majuli of Assam was awarded the GI tag for its traditional arts of *Mukha Xilpa* (mask-making) and Manuscript Paintings. The names of other products that have received GI tags from Assam are *Muga Silk, Joha Rice, Assam Karbi Anglong Ginger, Black Rice, Tezpur Lichi, Eri Silk, Assamese Gamocha, Assam Orthodox Tea, Judima (Rice bear of Dimasa tribe), Assam Lemon (Kaji Nemu)* etc. ❖

# Zero Shadow Day



Zero Shadow Day is an extraordinary phenomenon that occurs when the sun is positioned directly overhead, causing objects on the ground to cast no shadows at noon. It's like experiencing a moment of magic in the middle of the day! This phenomenon is only observed in regions situated between the Tropic of Cancer and the Tropic of Capricorn. It happens because of the tilt of the Earth's axis, which changes the angle at which sunlight hits the ground. Bengaluru of India, which is located at a latitude of approximately 13.0-degree north, witnesses this captivating event each year on April 24 or 25 and again on August 18. People often celebrate Zero Shadow Day by taking outdoor adventures or capturing stunning photographs of the shadow less landscape. It's a reminder of the incredible ways of the moving of our planet. ❖

## কুইজ

■ দীপাংকৰ কৌশিক

১। কোনখন ৰাজ্যৰ ৰাজ্যিক জন্তু হাতী, ৰাজ্যিক ফল কঁঠাল আৰু হৰ্নবিল ৰাজ্যিক চৰাই?

২। কম্পিউটাৰৰ ক্ষেত্ৰখনত ব্যৱহৃত কোনটো সঁজুলিৰ নামটো আহিছে লেটিন ভাষাত 'ৰানাৰ' বুজোৱা শব্দৰ পৰা?

৩। ২০২২ চনত আমেৰিকাৰ কাৰ্ল বেৰী শ্বাৰ্পলেছ কোনটো বঁটা দুবাৰকৈ লাভ কৰা পঞ্চমগৰাকী ব্যক্তিৰূপে পৰিগণিত হৈছিল?

৪। ক্ৰিষ্টিনা ছাইকোভা—এইবাৰৰ ৭১ সংখ্যক মিছ ৱৰ্ল্ডৰ বিজয়ী। তেওঁ কোনখন দেশৰ?

৫। প্ৰথমখন অসমীয়া চলচ্চিত্ৰ 'জয়মতী'। দ্বিতীয়খন 'ইন্দ্ৰমালতী'। তৃতীয়খন অসমীয়া চলচ্চিত্ৰখনৰ নাম কি?

৬। চিভি ৰামণৰ পাছত ভাৰত ৰত্ন সন্মান লাভ কৰা দ্বিতীয়গৰাকী বিজ্ঞানী কোন বাৰু?

৭। আই পি এলৰ ইতিহাসত শতক অৰ্জন কৰা প্ৰথমগৰাকী খেলুৱৈ কোন আছিল?

৮। আইৰিছ—অলপতে এই নামটো চৰ্চালৈ আহিছিল। এই আইৰিছ কি?

৯। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰথমগৰাকী অসমীয়া বিচাৰপতি কোন?

১০। কেদাৰনাথ ভট্টাচাৰ্য্য—এইগৰাকী বিখ্যাত গায়কৰ চিনাকি নামটো কি?

১১। কোনটো বিখ্যাত কোম্পানীৰ নামটোৰ অৰ্থ হৈছে —লিটল নেষ্ট?

১২। 'জীৱন জীৱন বৰ অনুপম'—সাহিত্য অকাডেমি বঁটা বিজয়ী কোনগৰাকী অসমীয়াৰ আত্মজীৱনী?

১৩। টাই ভাষাত 'ছখন নৈৰ অঞ্চল' বুজোৱা অসমৰ বিখ্যাত ঠাইখনৰ নাম কি?

১৪। কিশোৰ কুমাৰ জেনা এছিয়ান গেমছৰ ৰূপৰ পদকপ্ৰাপ্ত খেলুৱৈ। তেওঁ সমাগত পেৰিছ অলিম্পিকৰ বাবেও যোগ্যতা অৰ্জন কৰিছে। তেওঁ খেলা খেলবিধ কি?

১৫। অসমৰ লোকসভা সমষ্টি ১৪টা। ভাৰতৰ সৰ্বাধিক ৮০টা লোকসভা সমষ্টি থকা ৰাজ্যখনৰ নাম কি?

১৬। 'জীৱন সুৰভি' প্ৰথম অসমীয়া চিনেমাস্ক'প চলচ্চিত্ৰ। ভাৰতৰ প্ৰথম চিনেমাস্ক'প চলচ্চিত্ৰখনৰ নাম কি?

১৭। নিৰ্বাচনৰ লগত জড়িত VVPATৰ সম্পূৰ্ণ ৰূপটো কি?

১৮। বিশ্বকাপ ক্ৰিকেট আৰু বিশ্বকাপ ফুটবল উভয়তে নিজ দেশক প্ৰতিনিধিত্ব কৰা একমাত্ৰ খেলুৱৈগৰাকী কোন?

**চিত্ৰ সংকেত**

১৯। চিত্ৰত থকা ব্যক্তিগৰাকী কোন বাৰু? ❖



## তোমালোকৰ বাবে প্ৰশ্ন, মে', ২০২৪

১। 'শ্ৰীময়ী অসমীৰ শীতল বুকুত' বিহুৰ পতাকা উত্তোলনৰ গীতটোৰ সুৰ কাৰ?

২। কোনটো চৰাইৰ নামটো আহিছে পৰ্তুগীজ ভাষাত 'fool' বা 'crazy' বুজোৱা শব্দৰ পৰা?


৩। ভাৰতৰ 'জল মানৱ' বুলি কাক কোৱা হয়?

৪। 'সোণালী দৌৰ'—কোনগৰাকী প্ৰখ্যাত খেলুৱৈৰ আত্মজীৱনী?

৫। কোনটো আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় আছিল আচাৰ্য্য বিনোৱা ভাবে? ❖

# এণ্টাৰ্কটিকাৰ গৱেষণা কেন্দ্ৰ

■ নৱনীতা ৰায়



দক্ষিণ গোলাৰ্ধৰ একেবাৰে দক্ষিণত অৱস্থিত এণ্টাৰ্কটিকা মহাদেশ প্ৰায় জনবসতিহীন, বৰফেৰে আবৃত ভূখণ্ড। বিশ্বৰ কেইবাখনো দেশে এণ্টাৰ্কটিকাত নিজৰ স্থায়ী গৱেষণা কেন্দ্ৰ স্থাপন কৰিছে আৰু এই গৱেষণা কেন্দ্ৰসমূহৰ সম্প্ৰসাৰণ কৰিছে। এণ্টাৰ্কটিকাত এই গৱেষণা কেন্দ্ৰসমূহ শিল বা বৰফৰ ওপৰত নিৰ্মাণ কৰা হয়। এণ্টাৰ্কটিকা সন্ধি (Antarctic Treaty) নামৰ এখন চুক্তিপত্ৰত স্বাক্ষৰ কৰা মুঠ ৫৫খন দেশে মহাদেশখনত গ্ৰীষ্মকালীন আৰু বছৰ জোৰা গৱেষণা চলায়। এণ্টাৰ্কটিকা চুক্তি অনুসৰি এণ্টাৰ্কটিকাৰ গৱেষণা কেন্দ্ৰসমূহে নিজৰ বৈজ্ঞানিক অনুসন্ধান অব্যাহত ৰাখিবলৈ সকলো পৰ্য্যবেক্ষণ তথা গৱেষণালব্ধ তথ্যৰ ভাগ-বতৰা কৰিব লাগিব। এণ্টাৰ্কটিকা সন্ধিত এইটোও উল্লেখ কৰা হৈছে যে এণ্টাৰ্কটিকাক কেৱল শান্তিপূৰ্ণ উদ্দেশ্যতহে ব্যৱহাৰ কৰিব পাৰিব আৰু এণ্টাৰ্কটিকাত একমাত্ৰ বৈজ্ঞানিক কাৰ্য্যকলাপহে কৰিব পাৰিব। এণ্টাৰ্কটিকাত থকা স্থায়ী গৱেষণা কেন্দ্ৰসমূহৰ উপৰি প্ৰতি গ্ৰীষ্মকালত নিৰ্দিষ্ট প্ৰকল্পসমূহক সহায় কৰিবলৈ ক্ষেত্ৰ শিবিৰ (field camp) স্থাপন কৰা হয়।

১৯০৩ চনত উইলিয়াম এছ ব্ৰুছ নামৰ বৃটিছ প্ৰকৃতিবিদ (naturalist) তথা মেৰু বিজ্ঞানীগৰাকীৰ নেতৃত্বত এক দক্ষিণ মেৰু অভিযানৰ সূচনা হয় আৰু সেই উদ্দেশ্যে তেওঁ এণ্টাৰ্কটিকালৈ ৰাওনা হয়। এই অভিযানৰ লক্ষ্য আছিল এণ্টাৰ্কটিকাত বতৰ বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা। এই প্ৰকল্পৰ বাবে তেওঁ প্ৰথমে তাত উপযুক্ত ঠাই বিচাৰি পোৱা নাছিল। পাছত ব্ৰুছে দক্ষিণ অৰ্কনিছৰ (South Orknis) লৰী দ্বীপলৈ (Laurie Island) যাবলৈ সিদ্ধান্ত লয় আৰু তাত সুচল ঠাই (Anchorange) বিচাৰি পায়। দক্ষিণ আমেৰিকাৰ মূল ভূখণ্ডৰ সৈতে ইয়াৰ দূৰত্ব বেছি নাছিল বাবে তাত এটা স্থায়ী কেন্দ্ৰ স্থাপন কৰিব পৰা গৈছিল। এই গৱেষণা কেন্দ্ৰত ব্ৰুছে বতৰ গৱেষণা, সাগৰীয় নমুনা সংগ্ৰহ আৰু জৈৱিক আৰু ভূতাত্ত্বিক নমুনা সংগ্ৰহৰ সৈতে জড়িত এক বিস্তৃত প্ৰকল্পৰ কাৰ্য্যসূচী আৰম্ভ কৰে। এই সময়ছোৱাতেই 'ওমণ্ড হাউছ' (Omond house) নামৰ এটা শিলৰ অট্টালিকা নিৰ্মাণ কৰা হৈছিল। এই অট্টালিকাটোৱেই প্ৰস্তাৱিত বতৰ বিজ্ঞান পৰীক্ষাগাৰটো চলাবলৈ লৰী দ্বীপত থাকিবলৈ কৰ্মচাৰীসকলৰ বাবে বাসস্থানৰো কাম কৰিছিল। শুকান শিল ব্যৱহাৰ কৰি স্থানীয় সামগ্ৰীৰে নিৰ্মাণ কৰা হৈছিল অট্টালিকাটো। অট্টালিকাটোৰ চালখন

কাঠ আৰু কেনভাছ চাদৰৰ দ্বাৰা তৈয়াৰ কৰা হৈছিল। পাছলৈ ৰুছে বৈজ্ঞানিক অভিযান অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতিত আৰ্জেণ্টিনাক এই কেন্দ্ৰ আৰু যন্ত্ৰপাতিসমূহ হস্তান্তৰ কৰে। ১৯০৪ চনৰ জানুৱাৰী মাহত আৰ্জেণ্টিনাৰ কৃষি মন্ত্ৰালয়, ৰাষ্ট্ৰীয় বতৰ বিজ্ঞান কাৰ্য্যালয়, পশুধন মন্ত্ৰালয় আৰু ৰাষ্ট্ৰীয় ডাক আৰু টেলিগ্ৰাফ কাৰ্য্যালয়ৰ বিষয়াসকল লৰী দ্বীপলৈ যায় আৰু ১৯০৬ চনত আৰ্জেণ্টিনাই দক্ষিণ অৰ্কনি দ্বীপপুঞ্জত (South Orkney Islands) স্থায়ী গৱেষণা কেন্দ্ৰ স্থাপনৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত যোগাযোগ কৰে। এই গৱেষণা কেন্দ্ৰটো এতিয়াও কাৰ্য্যক্ষম অৱস্থাত আছে আৰু পৰ্য্যটকৰ কেন্দ্ৰ হৈ পৰিছে।

আমেৰিকাৰ মেকমাৰ্ডো ষ্টেছনটো (McMurdo station) এণ্টাৰ্কটিকাৰ আটাইতকৈ ডাঙৰ গৱেষণা কেন্দ্ৰ। এই কেন্দ্ৰটো ৰ'ছ দ্বীপৰ (Ross Island) হাট পইণ্ট উপদ্বীপৰ (Hut Point Peninsula) আগ্নেয় শিলৰ ওপৰত নিৰ্মাণ কৰা হৈছে।

বৰ্তমান এণ্টাৰ্কটিকাত পৃথিৱীৰ ২৯খন দেশৰ ৭০টা স্থায়ী গৱেষণা কেন্দ্ৰ আছে। এণ্টাৰ্কটিকাত ভাৰতৰো তিনিটা গৱেষণা কেন্দ্ৰ আছে। সেইকেইটা হ'ল—ভাৰতী, দক্ষিণ গংগোত্ৰী আৰু মৈত্ৰী। এই গৱেষণা কেন্দ্ৰ তিনিটাত এণ্টাৰ্কটিকাৰ বৰফৰ বয়স আৰু বৰফ গলাৰ গতিৰ বিষয়ে গৱেষণা কৰা হয়। ইয়াৰে দক্ষিণ গংগোত্ৰী হ'ল ১৯৮৩ চনত ভাৰত চৰকাৰে এণ্টাৰ্কটিকাত স্থাপন কৰা প্ৰথমটো ভাৰতীয় গৱেষণা কেন্দ্ৰ। দক্ষিণ মেৰুৰ পৰা ২৫০০ কিল'মিটাৰ দূৰত্বত অৱস্থিত এই কেন্দ্ৰটো বৰ্তমান যোগান ঘাটি আৰু ট্ৰেনজিট (transit) শিবিৰ হিচাপে ব্যৱহাৰ কৰা হয়। গংগোত্ৰী হিমবাহৰ নামেৰে এই কেন্দ্ৰটোৰ নামকৰণ কৰা হৈছে। ইয়াৰে বৰফমুক্ত শিলৰ ওপৰত নিৰ্মাণ কৰা মৈত্ৰী কেন্দ্ৰটোৰ ম্যাদ উকলিছে। সেয়ে ভাৰত চৰকাৰে এণ্টাৰ্কটিকাত এটা নতুন বৈজ্ঞানিক গৱেষণা কেন্দ্ৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে।

এণ্টাৰ্কটিকা সন্ধি অনুসৰি কোনো দেশে যদি নিজৰ গৱেষণা কেন্দ্ৰ বন্ধ কৰিবলৈ বিচাৰে তেন্তে আনুষ্ঠানিকভাৱে নিজৰ নিৰ্দিষ্ট ভূখণ্ডৰ পৰা সকলো গঠন আঁতৰাই ঠাইখিনি মূল অৱস্থালৈ ঘূৰাই আনিব লাগিব। এই কেন্দ্ৰসমূহৰ সামগ্ৰীবোৰ সম্পূৰ্ণৰূপে আঁতৰোৱাটো অত্যন্ত ব্যয়বহুল আৰু কষ্টসাধ্য। সেইবাবে স্থায়ীভাৱে কেন্দ্ৰসমূহ বন্ধ কৰাৰ পৰিবৰ্তে বেছিভাগ দেশেই কৰ্মচাৰীৰ সংখ্যা হ্ৰাস কৰি নিজৰ কেন্দ্ৰসমূহ খোলা ৰখাক অগ্ৰাধিকাৰ প্ৰদান কৰে। ❖



# ইন্দ্ৰমালতী : দ্বিতীয়খন অসমীয়া কথাছবি

■ জিতেন গোস্বামী

সাম্প্ৰতিক সময়ছোৱাত ব্যস্ততাপূৰ্ণ জীৱন যাত্ৰাত সৰহসংখ্যক লোকেই চিনেমাক মনোৰঞ্জনৰ আহিলা হিচাপে বাছি লয়। চিনেমাত কাহিনী এটা কলাত্মক ৰূপত ছবি আৰু শব্দৰ জৰিয়তে দৰ্শকৰ মাজলৈ লৈ যোৱা হয়। এক কথাত চিনেমা এক সমৃদ্ধ আৰু বহুমুখী শিল্পৰূপ। গ্ৰীক শব্দ কিনেমাৰ (Kinema : অৰ্থ-গতি) পৰা চিনেমা শব্দটো আহিছে। এই চিনেমা শব্দৰ সমান্তৰালভাৱে ফিল্ম, মুভী আদি প্ৰতিশব্দবোৰৰো প্ৰয়োগ ব্যাপক ৰূপত দেখা যায়।

চিনেমাই ভালেমান পৰিক্ৰমা অতিক্ৰম কৰিহে আজিৰ অৱস্থা পাইছেহি। এটা সময় আছিল, যি সময়ত মানুহে ঘণ্টাৰ পাছত ঘণ্টা ধৰি অবাক ছবি উপভোগ কৰিছিল। অৰ্থাৎ প্ৰথম পৰ্য্যায়ত ছবিবোৰত সংলাপ নাছিল। পৰ্য্যায়ক্ৰমে ছবিবোৰ সবাক হ'ল, ৰঙীন হ'ল,



নিত্য নতুন কলা-কৌশলৰ সংযোগ ঘটিল।

যিটো সময়ত ভাৰতত সবাক ছবিৰ সূচনা হৈছিল ঠিক সেইখিনি সময়তে জ্যোতিপ্ৰসাদ আগৰৱালাই জয়মতীৰ জৰিয়তে অসমীয়া বোলছবিৰ পাতনি মেলিলে—সেয়া আছিল চমকপ্ৰদ। জাৰ্মানীৰ প্ৰখ্যাত ভাৰতীয় চলচ্চিত্ৰ পৰিচালক হিমাংশু ৰায়ৰ তত্ত্বাৱধানত ফিল্ম প্ৰযোজনা আৰু পৰিচালনা সম্পৰ্কে প্ৰশিক্ষণ লৈ জ্যোতিপ্ৰসাদ আগৰৱালাই জয়মতী (১৯৩৫) আৰু ইন্দ্ৰমালতী (১৯৩৯) ছবি দুখন নিৰ্মাণ কৰিলে।

ইন্দ্ৰমালতী জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বিতীয়খন ছবি। জয়মতীৰ তুলনাত অতি কম সময় আৰু অৰ্থ ব্যয় কৰি ইন্দ্ৰমালতী ছবিখন নিৰ্মাণ কৰা হৈছিল। ১৯৩৯ চনৰ ৩০ জুলাইৰ দিনা গুৱাহাটীৰ সতী টকীজত 'ইন্দ্ৰমালতী'ৰ প্ৰিমিয়াৰ শ্ব' হৈছিল। ছবিখনৰ প্ৰযোজনা, পৰিচালনা, সংগীতৰ লগতে জ্যোতিপ্ৰসাদ আগৰৱালাই অভিনেতা ৰূপতো ভুমুকি মাৰিছিল। ইন্দ্ৰমালতীৰ অভিনয়ৰ ক্ষেত্ৰত মনোভিৰাম বৰুৱা, ৰামেশ্বৰী হাজৰিকা, ফণী শৰ্মা, জ্ঞানদাভিৰাম বৰুৱা আদি ব্যক্তিৰ নাম প্ৰণিধানযোগ্য। উল্লেখ্য যে কিশোৰ ভূপেন হাজৰিকাই ছবিখনত অভিনয়ৰ লগতে 'বিশ্ব বিজয়ী নৱ জোৱান' গীতটোত কণ্ঠদান কৰিছিল।

জ্যোতিপ্ৰসাদৰ ৰচনাৱলীত সন্নিৱিষ্ট 'ইন্দ্ৰমালতী' নামৰ অসম্পূৰ্ণ লেখাটোৰ পাদটীকাত উল্লেখ কৰা মতে কাহিনীটোৰ আলমত তেওঁ হয়তো উপন্যাস লিখাৰ প্ৰয়াস কৰিছিল। সেই কাহিনীটোৰে চিত্ৰৰূপ ইন্দ্ৰমালতী। ইন্দ্ৰজিত আৰু মালতীৰ প্ৰেমগাথা বৰ্ণিত এই ছবিখনৰ নিৰ্মাণৰ আঁৰত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ উদ্দেশ্য আছিল জয়মতী ছবিখনৰ লোকচান পূৰণ কৰা। কাৰণ জয়মতী ছবিখনে ৰাইজৰ যেনে সঁহাৰি পাব লাগিছিল তেনে ধৰণে নোপোৱাত আৰ্থিক দিশটোৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ বাধাৰ সন্মুখীন হৈছিল। তেনে ক্ষেত্ৰত ইন্দ্ৰমালতী নিৰ্মাণৰ আঁৰত আছিল আৰ্থিক লাভালাভৰ উদ্দেশ্য। সেই উদ্দেশ্যত তেওঁ সফল হ'লেও পূৰ্বৰ জয়মতী নিৰ্মাণৰ যি আন্তৰিকতা বা গুণগত মান সেয়া ইন্দ্ৰমালতীত দেখা নগ'ল। কাৰণ খৰচ কমাবলৈ গৈ বহু ঠাইত কিছুমান কথা বা দৃশ্য কমাই পেলোৱা কাৰ্য্যই ছবিখনৰ সৌন্দৰ্য্য হানি কৰিছিল।

এই ক্ষেত্ৰত ফণী শৰ্মাদেৱে কৈছে যে ইন্দ্ৰমালতী জ্যোতিপ্ৰসাদৰ শিল্প ভাবনাৰ বৈশিষ্ট্যপূৰ্ণ ৰূপ নহয়। আনকি চিনেমা নিৰ্মাণৰ সাধাৰণ নীতি-নিয়ম কিছুমানো তেওঁ উলাই কৰি চলিছে। ইন্দ্ৰমালতী নিৰ্মাণ কৰোঁতে ১৫,০০০ টকা খৰচ হৈছিল। অৱশ্যে অভিনয়ৰ বাবে শিল্পীসকলে কোনো ধৰণৰ বানচ লোৱা নাছিল। ইন্দ্ৰজিত নামৰ কলিকতাত অধ্যয়নৰত যুৱকজনৰ মালতী নামৰ গাঁৱলীয়া ছোৱালীজনীৰ প্ৰতি জন্মা আকৰ্ষণ আৰু চণ্ডীৰাম নামৰ পাণিপ্ৰাৰ্থীজনৰ দ্বাৰা অপহৃত মালতীক উদ্ধাৰ কৰা কাৰ্য্য ইন্দ্ৰমালতী ছবিখনৰ মূল কাহিনী। উল্লেখ্য যে নায়ক-নায়িকাৰ নামেৰে ছবিখনৰ নামকৰণত অভিনৱত্ব অনাত জ্যোতিপ্ৰসাদে ইন্দ্ৰমালতীৰ জৰিয়তে দৃষ্টান্ত দাঙি ধৰিছে। ইন্দ্ৰ আৰু মালতীৰ আত্মিক প্ৰেমৰ কাহিনীৰ মাজতো ছবিখনত জ্যোতি দৰ্শন স্পষ্ট হৈ উঠিছে। ছবিখনৰ শেষত অনিশ্চিত ভৱিষ্যতৰ দিশে মালতীয়ে ইন্দ্ৰৰ পৰা বিদায় লৈছে যদিও ইন্দ্ৰৰ সংলাপৰ মাজেদি কঢ়িয়াইছে জ্যোতিপ্ৰসাদৰ আলোকসন্ধানী চেতনা :

"সূৰ্য্যৰ পোহৰে আমাক বাট দেখুৱাই লৈ যাব।"

যি কি নহওক, জয়মতী আৰু ইন্দ্ৰমালতীৰ জৰিয়তে জ্যোতিপ্ৰসাদে অসমীয়া চিনেমাৰ যি মাৰ্গদৰ্শন কৰিলে পৰৱৰ্তী সময়ত সেই পথেৰেই অসমীয়া ছবিয়ে আগ বাঢ়ি গৈ আজিৰ অৱস্থা লাভ কৰিলে। ❖

# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ২০৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 8 | 4 | 9 | 3 | 2 | 6 | 5 | 7 | 1 |
| 3 | 7 | 2 | 4 | 1 | 5 | 8 | 9 | 6 |
| 1 | 6 | 5 | 8 | 7 | 9 | 2 | 3 | 4 |
| 9 | 2 | 1 | 7 | 5 | 4 | 3 | 6 | 8 |
| 6 | 5 | 3 | 2 | 9 | 8 | 4 | 1 | 7 |
| 4 | 8 | 7 | 1 | 6 | 3 | 9 | 5 | 2 |
| 7 | 9 | 4 | 5 | 8 | 1 | 6 | 2 | 3 |
| 5 | 1 | 8 | 6 | 3 | 2 | 7 | 4 | 9 |
| 2 | 3 | 6 | 9 | 4 | 7 | 1 | 8 | 5 |

## চুড'কু ২০৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 2 | | | | 4 | | 3 | |
| | | | | | | | 9 | |
| 7 | | 1 | | | | | | |
| | 3 | | | | | | | |
| | | | | 5 | | 7 | | 8 |
| | | | | 4 | | 1 | | |
| | | | | | 3 | | 6 | |
| 8 | | | | | | 5 | | |
| | | | | | 9 | | | |

### তোমালোকে জানানে?


## গ'ল্ডেন গেট ব্ৰীজ

বিশ্বৰ এখন অতি মনোমোহা আৰু বৃহৎ দলং হৈছে আমেৰিকাৰ কেলিফ'ৰ্নিয়াস্থিত গ'ল্ডেন গেট ব্ৰীজ (Golden Gate Bridge)। বহু বছৰ ধৰি পৃথিৱীৰ আটাইতকৈ দীঘল আৰু আটাইতকৈ ওখ দলং হিচাপে গ'ল্ডেন গেট ব্ৰীজেই স্বীকৃতি পাই আহিছিল। গ'ল্ডেন গেট ব্ৰীজ কুৰি শতিকাৰ চমকপ্ৰদ প্ৰযুক্তিৰ এক বিস্ময়কৰ নিদৰ্শন। এই দলঙৰ নক্সা অংকন কৰিছিল যোছেফ ষ্ট্ৰাউছ নামৰ এজন প্ৰতিভাশালী স্থপতিবিদে। তেওঁ এই দলং নিৰ্মাণৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ দূৰ কৰিবলৈ নিজে কিছুমান অভিনৱ কৌশল অৱলম্বন কৰিবলগীয়া হৈছিল। বিশেষকৈ, দক্ষিণ দিশৰ প্ৰধান ভাৰবাহী স্তম্ভটো নিৰ্মাণ কৰাৰ ক্ষেত্ৰত যথেষ্ট চিন্তা-ভাবনা কৰিবলগীয়া হৈছিল। সেই স্তম্ভটো সাগৰৰ বুকুত ৩০ মিটাৰ গভীৰলৈকে সোমাই আছে। সম্ভাব্য ভূমিকম্পৰ পৰা তাক ৰক্ষা কৰিবলৈ ষ্ট্ৰাউছে এনে কিছু প্ৰযুক্তিগত কৌশল ব্যৱহাৰ কৰিছিল, যিবোৰক এই ক্ষেত্ৰত প্ৰথমবাৰৰ বাবে প্ৰয়োগ কৰা হৈছিল। এইখন দলং সাজি থকাৰ সময়ত যথেষ্ট বিপৰ্য্যয়, দুৰ্ঘটনা আদি সংঘটিত হৈছিল। এবাৰ এখন জাহাজে জোৰেৰে খুন্দা মাৰি নিজৰ লগতে নিৰ্মীয়মান দলংখনৰো বিস্তৰ ক্ষতি কৰিছিল। পাছে সেই সকলো বাধা অতিক্ৰম কৰি সেই দলঙৰ নিৰ্মাণৰ কাম সফলতাৰে শেষ হয় আৰু ১৯৩৭ চনত গ'ল্ডেন গেট ব্ৰীজখনক যাতায়াতৰ বাবে মুকলি কৰি দিয়া হয়। ❖

উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন'।

# আমাজ’নলৈ চাহাৰাৰ উপহাৰ

■ মানসজ্যোতি শইকীয়া



উত্তৰ আফ্ৰিকাৰ ৯.২ মিলিয়ন বৰ্গ কিল’মিটাৰ অঞ্চলজুৰি বিস্তৃত হৈ থকা চাহাৰা মৰুভূমি পৃথিৱীৰ প্ৰতিকূল জলবায়ু অঞ্চলৰ অন্তৰ্গত। ইয়াত দিনৰ ভাগত গড় উষ্ণতা ৩০° ছেলছিয়াছ আৰু ৰাতিৰ সময়ত ই -৪০° লৈ নামি আহে। চাহাৰাৰ আধাতকৈও বেছি অংশ মূলতঃ ক্ষুদ্ৰ আকাৰৰ শিলেৰে গঠিত (বালিৰে নহয়) চাহাৰা মৰুভূমিত বৰষুণ, গছ-গছনি আৰু জনবসতি অতিকৈ কম দেখা যায়।

আটলাণ্টিক মহাসাগৰৰ সিপাৰে চাহাৰাৰ বিপৰীত ফালে বিশ্বৰ আটাইতকৈ ডাঙৰ বৰ্ষাৰণ্যখন অৱস্থিত। দক্ষিণ আমেৰিকাৰ উত্তৰ-পূব দিশত অৱস্থিত আমাজ’ন (Amazon) নদীৰ অৱবাহিকাৰ দুয়োপাৰে থকা আমাজন বৰ্ষাৰণ্য এক সজীৱ আৰু অতুলনীয় জৈৱ-বৈচিত্ৰ্যৰ বিশাল ভাণ্ডাৰ। আমাজ’ন অৱবাহিকা জীৱ-জন্তু আৰু গছ-গছনিৰে ভৰি আছে যদিও এই অঞ্চলৰ মাটিত পুষ্টিকৰ উপাদানৰ অভাৱ পৰিলক্ষিত হয়। বিশেষকৈ উদ্ভিদৰ বৃদ্ধিৰ বাবে অপৰিহাৰ্য্য উপাদান ফছফ’ৰাছৰ পৰিমাণ অতি কম। ইয়াৰ মুখ্য কাৰণ হ’ল দুটা—বিষুৱীয় অঞ্চলৰ দৈনিক বৰষুণজাক আৰু বৃহৎ নদী-অৱবাহিকাটোত হোৱা বানপানী। অতি উচ্চ উষ্ণতাৰ বাবে দ্ৰুত বাষ্পীভৱন ঘটি বিষুৱীয় অঞ্চলত নিতৌ বৰষুণ হয়। বৰষুণে সাধাৰণতে মাটিৰ উপৰিভাগ ধুই উটুৱাই লৈ যোৱাৰ ফলত হিউমাছ, খনিজ পদাৰ্থ আদিৰ অভাৱ হয়। তদুপৰি আমাজ’ন আৰু ইয়াৰ উপনৈসমূহে সৃষ্টি কৰা বানপানীয়ে প্ৰতি বছৰে দহ হাজাৰ টনতকৈয়ো অধিক নাইট্ৰ’জেন দ্ৰৱীভূত কৰি উটুৱাই নিয়ে। প্ৰশ্ন হয়, আমাজ’ন বৰ্ষাৰণ্যই নিজৰ হেৰুওৱা খনিজ পদাৰ্থসমূহ কেনেকৈ ঘূৰাই পায়?

ইয়াৰ উত্তৰ—ধূলি। আটলাণ্টিক মহাসাগৰৰ ইটোপাৰে থকা, আপাতঃদৃষ্টিত পৃথক জলবায়ুৰে গঠিত চাহাৰা মৰুভূমিৰ পৰা এক বৃহৎ পৰিমাণৰ ধূলি বতাহে আমাজ’নলৈ কঢ়িয়াই লৈ যায়। ইয়াক ওপৰৰ পৰা ধূলিৰ নদী এখনৰ দৰে দেখি।

প্ৰতি বছৰে চাহাৰাৰ এই নদীখনে ধূলিৰ এক বিশাল অংশ উৰুৱাই আটলাণ্টিক মহাসাগৰ অতিক্ৰম কৰি নি আমাজ’ন অৱবাহিকাত জমা কৰেগৈ। ধূলিৰ সৈতে মিহলি হৈ থকা মৃত জীৱৰ অৱশিষ্ট আৰু খনিজ পদাৰ্থই বৰ্ষাৰণ্যখনক গুৰুত্বপূৰ্ণ পুষ্টিকৰ উপাদান প্ৰদান কৰে। এনেদৰে প্ৰতি বছৰে বৰ্ষাৰণ্যলৈ বৈ অহা ধূলিৰ নদীখনে অঞ্চলটোত হোৱা খনিজ পদাৰ্থৰ ঘাটি পূৰণ কৰে।

প্ৰতি বছৰে ধূলিৰ এই বায়ুমণ্ডলীয় নদীখন কেনেদৰে বৈ যায় আৰু জলবায়ু পৰিবৰ্তনৰ ফলত ই কেনেদৰে প্ৰভাৱিত হ’ব পাৰে তাকে জানিবলৈ নাছাৰ এক গৱেষকৰ দলে অধ্যয়ন কৰিছিল। ২০০৬ চনত নাছাই ডাৱৰ আৰু বায়ুমণ্ডলীয় কণিকাৰ গঠন অধ্যয়ন কৰিবৰ বাবে CALIPSO (Cloud Aerosol Lider and Infrared Pathfinder Satellite Observation) নামেৰে এক কৃত্ৰিম উপগ্ৰহ উৎপেক্ষণ কৰিছিল। উপগ্ৰহটোৱে প্ৰদান কৰা তথ্য অনুসৰি প্ৰতি বছৰে চাহাৰাত প্ৰায় ১৮ কোটি টন (১ টন = ১০০০ কিগ্ৰা.) ধূলি-বালিৰ সৃষ্টি হয়। তাৰে প্ৰায় ৩ কোটি টন, অৰ্থাৎ মুঠ ধূলিৰ শতকৰা ১৫ ভাগ আমাজ’নলৈ উৰি গৈ সিঁচৰতি হৈ পৰেগৈ। প্ৰতিটো ধূলিৰ কণা মানুহৰ চুলিৰ প্ৰস্থৰ এক সৰু অংশ মাত্ৰ, কিন্তু ইহঁতে একেলগে ইমান ডাঙৰ ধূলিৰ ডাৱৰ গঠন কৰে যে তাক মহাকাশৰ পৰাও দেখা পোৱা যায়।

গৱেষকসকলৰ মতে আমাজ'নলৈ বৈ যোৱা ধূলিত থকা ফছফ'ৰাছৰ মূল উৎস হৈছে চাদ গণৰাজ্যৰ (Republic of Chad) বডেলে খাদ (Bodele depression)। এই প্ৰাচীন খাদৰ পৰা সঘনাই বলা ধূলিৰ ধুমুহাত বিপুল পৰিমাণৰ মৃত অণুজীৱ থাকে আৰু সেইবাবেই তাত ফছফ'ৰাছৰ পৰিমাণ বেছিকৈ থাকে।

এতিয়া প্ৰশ্ন হয় যে, যিজাক বতাহে এই ধূলিৰ নদীখন আটলাণ্টিকৰ ওপৰেদি বোৱাই নিয়ে, ই কেনেকৈ সৃষ্টি হয়। বতাহ সাধাৰণতে সৃষ্টি হয় বায়ুৰ চাপৰ তাৰতম্যৰ ফলত। কিন্তু বতাহৰ গতি বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। বিষুৱীয় অঞ্চলত সৃষ্টি হোৱা বাণিজ্য বতাহ (trade wind) পৃথিৱীৰ ঘূৰ্ণনৰ বাবে বেঁকা হৈ চাহাৰা মৰুভূমিৰ পশ্চিম প্ৰান্তেৰে আটলাণ্টিকৰ ওপৰেৰে আমাজ'নলৈ গতি কৰে। এই বতাহজাকেই ধূলিৰ নৈখন বোৱাই নিয়ে।

এইটো নিশ্চিত যে আমাজ'ন বৰ্ষাৰণ্যৰ বাবে এই ধূলিৰ নৈখন এক জীৱনদায়িনী স্বৰূপ। শতিকা জুৰি বৈ অহা ধূলিৰ বতাহজাকে কঢ়িয়াই অনা ফছ'ফৰাছৰ ফলতে আমাজন অৱবাহিকা আৰু বৰ্ষাৰণ্যৰ স্বাস্থ্য আৰু উৎপাদনশীলতা বৰ্তি আছে। কিন্তু ইয়াৰ বাবে কিমান পৰিমাণৰ ধূলি প্ৰতিবছৰে দৰকাৰ হয়, এই সম্পৰ্কে গৱেষকসকল এতিয়াও নিশ্চিত নহয়।

শেহতীয়া এক গৱেষণা অনুসৰি বতাহজাকে কঢ়িওৱা ধূলিৰ পৰিমাণ বছৰি কম-বেছি হৈ থাকে। ২০০৭ চনত দেখা আটাইতকৈ ডাঙৰ ধূলিৰ ঢৌ আৰু ২০১১ চনৰ আটাইতকৈ সৰু ধূলিৰ ঢৌৰ মাজত শতকৰা ৮৬ ভাগ পাৰ্থক্য দেখা গৈছিল। গৱেষকসকলে চাহাৰাৰ দক্ষিণে থকা শুকান অঞ্চলত হোৱা বৰষুণ এই তাৰতম্যৰ বাবে দায়ী হ'ব পাৰে বুলি অনুমান কৰিছে। অৱশ্যে ইয়াৰ বাবে দীৰ্ঘম্যাদী গৱেষণাৰ প্ৰয়োজন। ❖

## ঠাইৰ চিনাকি

# ইণ্ডোনেছিয়া

**■ ৰূপজ্যোতি চেতিয়া**

প্ৰাচীন পৰম্পৰা আৰু আধুনিক আশ্চৰ্য্যৰ মনোমোহা সংমিশ্ৰণ তথা প্ৰাকৃতিক সৌন্দৰ্য্যেৰে চহকী দক্ষিণ-পূব এছিয়াৰ এখন দ্বীপ ৰাষ্ট্ৰ হ'ল ইণ্ডোনেছিয়া। আটকধুনীয়া বালিচৰ, সক্ৰিয় আগ্নেয়গিৰি, বৃহৎসংখ্যক দ্বীপপুঞ্জ, ধৰ্মানুষ্ঠান, ৰাষ্ট্ৰীয় উদ্যান তথা মনোমোহা হ্ৰদেৰে ভৰপূৰ ইণ্ডোনেছিয়া বিশ্বৰ এক আগশাৰীৰ পৰ্য্যটনস্থলীৰূপে পৰিচিত। ২০১১ চনৰ এক সমীক্ষা অনুসৰি প্ৰতি বছৰে প্ৰায় ২ নিযুত পৰ্য্যটক এই দেশলৈ আহে। কম খৰচ আৰু লগতে প্ৰায় ৩০ দিনলৈকে ভিছাৰ প্ৰয়োজন নোহোৱাৰ বাবেও ইণ্ডোনেছিয়ালৈ পৰ্য্যটক অহাত সুবিধা হৈছে। এই দেশৰ 'বালি' প্ৰদেশো পৰ্য্যটকৰ আকৰ্ষণৰ বিন্দু।

ইণ্ডোনেছিয়া দেশখন পৃথিৱীৰ ভিতৰতে সৰ্বাধিক দ্বীপ থকা ৰাষ্ট্ৰ। প্ৰায় ১৭,৫০০টা সৰু-বৰ দ্বীপেৰে এই ৰাষ্ট্ৰখন গঠিত। ইয়াৰে ৯,৬৩৪টা দ্বীপৰ কোনো নাম নাই। এই দেশৰ পাঁচটা মূল দ্বীপ হ'ল—ক) সুমাত্ৰা (প্ৰায় ৪,৭৩,৬০৬ বৰ্গ কিমি.), খ) জাভা (প্ৰায় ২,৩২,৯৮৭ বৰ্গ কিমি.), গ) কালিমন্তান বা বৰ্ণিও (প্ৰায় ৫,৩৯,৪৬০ বৰ্গ কিমি.), ঘ) চুলাৱেছি (প্ৰায় ১,৮৯,২১৬ বৰ্গ কিমি.) আৰু ঙ) পাপুয়া (প্ৰায় ৪,২১,৯৮১ বৰ্গ কিমি.)।

ইণ্ডোনেছিয়া নামটো গঠন হৈছে গ্ৰীক শব্দ 'ইণ্ডোছ' অৰ্থাৎ 'ইণ্ডিয়া' আৰু 'নেছ'ছ' অৰ্থাৎ 'দ্বীপ'ৰ পৰা। ইণ্ডোনেছিয়াৰ চৰকাৰী নাম হ'ল ইণ্ডোনেছীয় প্ৰজাতন্ত্ৰ (ৰিপাব্লিক অৱ ইণ্ডোনেছিয়া)। ১৯৫০ চনত জৰ্জ উইণ্ডচৰ আৰ্ল নামৰ এজন ইংৰাজ নৃতাত্বিকে (ethologist) ভাৰতীয় দ্বীপপুঞ্জ আৰু মালয় দ্বীপপুঞ্জৰ বাসিন্দাসকলৰ বাবে 'ইণ্ডোনেছিয়ান' নামটো প্ৰথমে ব্যৱহাৰ কৰিছিল। ইষ্ট ইণ্ডিজ অৰ্থাৎ মালয় দ্বীপপুঞ্জৰ ডাচ শিক্ষাবিদসকলে



এই নাম ব্যৱহাৰ কৰিবলৈ অনিচ্ছুক আছিল। তেওঁলোকে 'মালয় নেছিয়ান' নামটোহে ভাল পাইছিল। কিন্তু ১৯০০ চনৰ পাছত শৈক্ষিক মহলত 'ইণ্ডোনেছিয়া' নামটো অধিক জনপ্ৰিয় হৈ পৰে আৰু ইণ্ডোনেছিয়াৰ স্থানীয় জাতীয়তাবাদী গোটসমূহে এই নামটো গ্ৰহণ কৰে।

ইণ্ডোনেছিয়া দেশখনৰ বিষয়ে জানিবলগীয়া বহুত কথা আছে। বিশ্বৰ ভিতৰতে সৰ্বোচ্চ দ্বীপ-শৃংগ এই দেশতেই অৱস্থিত। সেয়া হ'ল পাপুয়া প্ৰদেশৰ মাউণ্ট জয়িয়। জয়া পৰ্বতৰ আটাইতকৈ ওখ শৃংগ পুনচাক জয়া, ইণ্ডোনেছিয়াৰ আটাইতকৈ ওখ শৃংগ। ইয়াৰ উচ্চতা সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ৪,৮৮৪ মিটাৰ।

পৃথিৱীৰ ভিতৰত আটাইতকৈ বৃহৎ আগ্নেয়গিৰিৰ হ্ৰদ 'টোবা' হ্ৰদো এই দেশত অৱস্থিত। এই হ্ৰদটো অতি বিশাল আৰু ইয়াৰ গভীৰতা প্ৰায় ৫০০ মিটাৰ, দৈৰ্ঘ্য প্ৰায় ১০০ কিমি. আৰু বহল প্ৰায় ৩০ কিমি.।

এই দেশত প্ৰায় ১৩০টা সক্ৰিয় আগ্নেয়গিৰি আছে। দৈনিক প্ৰায় ৪টাকৈ সৰু সৰু ভূমিকম্প ইয়াত অনুভূত হয়, বাবে ইণ্ডোনেছিয়া পৃথিৱীৰ আটাইতকৈ ভূমিকম্পপ্ৰৱণ অঞ্চলৰ ভিতৰত এটা।

এই দেশত বিশ্বৰ ভিতৰতে তৃতীয় সৰ্বাধিক আগ্নেয়গিৰি আছে। জাভা আৰু সুমাত্ৰাৰ মাজত বিখ্যাত আগ্নেয়গিৰিৰ দ্বীপ 'ক্ৰাকাটোৱা' (Krakatoa) অৱস্থিত। ১৮৮৩ চনৰ এই আগ্নেয়গিৰিৰ উদ্গীৰণৰ ফলত দুটা বিশাল ছুনামিৰ সৃষ্টি হৈছিল। এই ছুনামিত ৩৬,০০০ৰো অধিক লোকৰ মৃত্যু হৈছিল, লগতে ১৬৫ খন উপকূলীয় গাঁও ধ্বংস হৈছিল।

পৃথিৱীৰ আটাইতকৈ ডাঙৰ ফুল 'ৰেফ্লেছিয়া আৰ্নল্ডিয়া' (ওজন প্ৰায় ৭ কিগ্ৰা.) এই দেশৰে বৰ্ষাৰণ্যত দেখিবলৈ পোৱা যায়। ইটালীৰ উদ্ভিদবিজ্ঞানী ড° অৰ'আৰ্ডো বেকাৰিয়ে ১৮৭৮ চনত মধ্য সুমাত্ৰা দ্বীপৰ বৰ্ষাৰণ্যত এই ফুলবিধ আৱিষ্কাৰ কৰে। এই দেশত প্ৰায় ৩০০০ৰো অধিক প্ৰজাতিৰ মাছ আছে, ১০০ বিধতকৈও অধিক বিপন্ন প্ৰাণী আছে। তাৰ ভিতৰত সুমাত্ৰাৰ বাঘ, সুমাত্ৰাৰ গঁড়, কোমোডো ড্ৰেগন, ওৰাং-উটান, আনোয়া (পৃথিৱীৰ আটাইতকৈ সৰু ম'হ), ধুনীয়া মেৰাক, সাগৰীয় কাছ ইত্যাদি উল্লেখযোগ্য।


এই দেশৰ আন এক উল্লেখনীয় কথা হ'ল—ইয়াত প্ৰায় ৭০০ৰো অধিক ভাষা ব্যৱহৃত হয়। বাহাছা ইণ্ডোনেছিয়া হ'ল এই দেশৰ চৰকাৰী ভাষা। এই দেশত প্ৰাচীন কালত সংস্কৃত ভাষাৰ বহুল ব্যৱহাৰ হৈছিল। এতিয়াও ইয়াত সংস্কৃত ভাষাত কিছুমান লোকৰ নাম দিয়া হয়। আনকি এই দেশৰ ৰাষ্ট্ৰীয় সশস্ত্ৰ বাহিনীৰ মূলমন্ত্ৰ 'ত্ৰি ধৰ্মা একা কৰ্ম'ও সংস্কৃততেই লিখা। এই দেশৰ ৰাজধানী জাকাৰ্টা নামটোও সংস্কৃতৰ জয় আৰু কৰ্তা শব্দ দুটাৰ পৰা অহা।

এই দেশৰ প্ৰায় ৯০% লোক মুছলমান ধৰ্মাৱলম্বী হোৱাৰ বাবে এই দেশ বিশ্বৰ ভিতৰত সৰ্বাধিক মুছলমান জনসংখ্যা থকা দেশ হিচাপে স্বীকৃত আৰু লগতে ইণ্ডোনেছিয়া বিশ্বৰ চতুৰ্থ বৃহৎ জনসংখ্যাৰ দেশ। এই দেশ বিশ্বৰ সৰ্বাধিক 'যুৱ জনসংখ্যা'ৰ দেশ বুলিও পৰিচিত। ৩০ বছৰৰ তলৰ প্ৰায় ১৬৫ নিযুত লোক ইয়াত বসবাস কৰে, আনহাতে মাত্ৰ ৮% লোকৰহে বয়স ৬০ বছৰৰ ঊৰ্দ্ধত। ইয়াত ৬টা মূল ধৰ্ম আছে—ইছলাম, প্ৰটেষ্টাণ্ট, কেথলিক, হিন্দু, কনফুচিয়ান আৰু বৌদ্ধ। নৱম শতিকাৰ সময়ছোৱাত নিৰ্মিত মধ্য জাভাত অৱস্থিত 'বৰোবুদুৰ' মন্দিৰটো বিশ্বৰ আটাইতকৈ ডাঙৰ বৌদ্ধ মন্দিৰ।

এই দেশ প্ৰাকৃতিক সৌন্দৰ্য্যৰ লগতে বিজ্ঞানৰ ক্ষেত্ৰতো বহুখিনি আগ বঢ়া। দক্ষিণ-পূব এছিয়াৰ এইখনেই একমাত্ৰ দেশ য'ত নিজাকৈ বিমানৰ উৎপাদন আৰু বিকাশ কৰা হয়। ইণ্ডোনেছিয়াৰ সৌন্দৰ্য্য কেৱল ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্যতেই নহয়, ইয়াৰ মানুহৰ আচাৰ-ব্যৱহাৰতো নিহিত হৈ আছে। ❖

# পাণ্ডো গছ

■ ছায়াস্মিতা বৈশ্য



পাণ্ডো গছৰ (Pando tree) বাগিচা বা অৰণ্যখন দেখিবলৈ অতি মনোমোহা। হালধীয়া পাতেৰে শাৰী শাৰী গছৰ দৃশ্য অতি ধুনীয়া। কিন্তু আচৰিত কথা এয়ে যে এইবোৰ প্ৰকৃততে এডাল গছেই। মাটিৰ তলত সকলোৰে শিপা একেখিনিয়েই। মাটিৰ ওপৰৰ অংশটোত পাণ্ডোক আন যিকোনো সাধাৰণ গছৰ বাগিচা (য'ত বিভিন্ন গছ লগ হৈ থাকে) যেনেই লাগে। কিন্তু মাটিৰ তলৰ অংশত এই পাণ্ডোৰ আটাইবোৰ গছেই এটা বিশাল শিপা ব্যৱস্থাৰ দ্বাৰা সংযুক্ত হৈ থাকে। পাণ্ডো আচলতে এডাল গছৰ এক অৰণ্য (one tree forest)।

১৯৭০ চনত প্ৰথমে এই পাণ্ডো গছজোপাক আৱিষ্কাৰ কৰি নামকৰণ কৰিছিল বিজ্ঞানী বাৰ্টন ভি বাৰ্নছে (Burton V. Barnes)। পাণ্ডো হৈছে লেটিন ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হৈছে 'মই বিয়পি পৰোঁ' ('I spread')।

একক গছৰ অৰণ্য, পাণ্ডোত প্ৰায় ৪৭,০০০ ডাল আৰু লাখ লাখ পাত মাত্ৰ এটা শিপা ব্যৱস্থাৰ (root system) জৰিয়তে সংযুক্ত হৈ আছে। ইয়াৰ প্ৰতিটো ডালেই দেখাত একোডাল একক গছ যেন লাগে যদিও এইবোৰ অংগজ প্ৰজননৰ দ্বাৰা প্ৰসাৰিত একো একোটা অংশহে।

পাণ্ডো, আমেৰিকা যুক্তৰাষ্ট্ৰৰ উটাহ অঞ্চলত (Utah) অৱস্থিত। ইয়াৰ অনন্য গঠনৰ বাবে পাণ্ডো গছজোপা এক বিশেষত্বপূৰ্ণ আৰু উল্লেখযোগ্য প্ৰাকৃতিক আশ্চৰ্য্যৰূপে স্বীকৃতি পাইছে। এই পাণ্ডোৱে উটাহ ৰাজ্যখনক পৰ্য্যটনস্থলীলৈ পৰিণত কৰিছে।

পাণ্ডো গছৰ সঠিক বয়স নিশ্চিত কৰিব নোৱাৰি যদিও ইয়াৰ বয়স প্ৰায় ৮০,০০০ বছৰ বুলি অনুমান কৰা হৈছে। সময়ৰ লগে লগে পাণ্ডো গছবোৰ বিস্তাৰিত হৈ প্ৰায় ৪৩ হেক্টৰ মাটিকালিত বিয়পি পৰিছে। আন্তঃসংযোগী শিপা ব্যৱস্থাই পাণ্ডো গছক (গছৰ সমষ্টি) প্ৰয়োজনীয় পুষ্টিদ্ৰব্য, পানী আদি ভাগ-বতৰা কৰি দিয়ে, ফলত গছজোপাই প্ৰতিকূল পৰিৱেশতো বহু বছৰ ধৰি জীৱন সংগ্ৰামত তিষ্ঠি থাকিব পাৰিছে।

পাণ্ডো গছৰ অংশীদাৰী শিপা ব্যৱস্থাই (shared root system) গছজোপাক কেইবাটাও সুবিধা প্ৰদান কৰে। এই শিপা ব্যৱস্থাই পুষ্টিদ্ৰব্যৰ সমবিতৰণ ফলপ্ৰসূ কৰাৰ উপৰি গছৰ গোটটোৰ প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হোৱা অংশটোক বিশেষভাৱে সহায় কৰে। গছবোৰৰ কোনোবাজোপাই যদি খৰাং অৱস্থা বা পুষ্টিকৰ উপাদানৰ অভাৱৰ সন্মুখীন হয়, তেতিয়া গছজোপাৰ সুস্থ আৰু সক্ৰিয় অংশটোৱে সংকটৰ সন্মুখীন হোৱা অংশক সকলো ফালৰ পৰা সমৰ্থন কৰি সুস্থ কৰি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰে।


পাণ্ডোৱে ইয়াৰ উল্লেখযোগ্য বিশাল আকাৰ, দীৰ্ঘায়ু গুণ আৰু পৰিৱেশগত গুৰুত্বৰ (ecological importance) বাবে বিজ্ঞানীসকলৰ মনোযোগ আকৰ্ষণ কৰিছে।

পাণ্ডোৱে প্ৰাণী আৰু উদ্ভিদৰ বাবে বাসস্থান প্ৰদান কৰি বৈচিত্ৰ্যময় পৰিৱেশতন্ত্ৰক সহায় কৰিছে। বৰ্তমান পাণ্ডো গছবোৰে কেইবাটাও প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। যেনে—খৰাং বতৰ আৰু মানুহৰ বিভিন্ন কাৰ্য্যকলাপ, পুষ্টিদ্ৰব্যৰ অভাৱ আদি। এই অনন্য আৰু মূল্যবান প্ৰাকৃতিক আশ্চৰ্য্যক সুৰক্ষা প্ৰদান আৰু সংৰক্ষণৰ বাবে প্ৰচেষ্টা হাতত লোৱা হৈছে। ❖

# শিক্ষাৰ্থীয়ে আঁকা ছবি



মাধুৰ্য্য শৰ্মা, চতুৰ্থ খ




জোন কলিতা,  সপ্তম ঘ




অয়ন হাদৈ, সপ্তম ঘ



ৰিজভান কাশ্যপ, সপ্তম ক



মূৰ্চ্ছনা শৰ্মা , চতুৰ্থ খ



জুয়েনা কাকতি , সপ্তম ঘ

# বিভিন্ন দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক




চিলি



কুৱেট



বাহামাছ



পর্তুগাল



আফগানিস্তান



টাইৱান



হাইটি




হংকং



মংগোলীয়া



নৰবে




ছিংগাপুৰ



মাকাও